**অসম বিধানসভাৰ মাননীয় অধ্যক্ষ আৰু মাননীয় সদস্যসকল,**

চতুৰ্দশ অসম বিধানসভাৰ প্ৰথম অধিবেশনৰ এই পৱিত্ৰ সদনক সম্বোধন কৰিবলৈ পাই মই অত্যন্ত সুখী অনুভৱ কৰিছো। এই নতুন সদনলৈ মই আপোনালোকক আন্তৰিকতাৰে আদৰণি জনাইছো আৰু আপোনালোক আটাইকে মোৰ শুভেচ্ছা জ্ঞাপন কৰিছো। সদ্য সমাপ্ত অসম বিধানসভাৰ নিৰ্বাচনত ব্যাপকভাৱে আৰু শান্তিপূৰ্ণভাৱে অংশগ্ৰহণ কৰা বাবে ব্ৰহ্মপুত্ৰ উপত্যকা, বৰাক উপত্যকা, পাৰ্বত্য এলেকা আৰু ভৈয়ামকে আদি কৰি অসমৰ সকলো অঞ্চলৰ ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতীসকল আৰু সমাজৰ সকলো শ্ৰেণীৰ লোকলৈ মই মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। পৰিৱৰ্তন আৰু গণতন্ত্ৰক শক্তিশালী কৰাৰ বাবে তেখেতসকলে দিয়া বৃহৎ জনাদেশ তথা আন্তৰিক সহায়-সহযোগিতাৰ বাবেও তেখেতসকললৈ মই ধন্যবাদ জনাইছো। অসমৰ ৰাইজে চৰকাৰৰ ওপৰত ৰখা অগাধ বিশ্বাসৰ সৈতে সংগতি ৰাখি মোৰ চৰকাৰে আত্মোৎসৰ্গৰ মনোভাব আৰু নিষ্ঠাসহকাৰে কাম কৰি যাব।

অসম হৈছে মহাপুৰুষ শ্ৰী শ্ৰীমন্ত শংকৰদেৱ, মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ আৰু আজান পীৰৰ দেশ। এই মহাপুৰুষসকলৰ বাণীসমূহ তথা আশীৰ্বাদ আমাৰ বাবে পথ প্ৰদৰ্শক হৈ ৰ'ব আৰু মোৰ চৰকাৰে তেওঁলোকৰ আদৰ্শৰাজি অটুট ৰাখিবলৈ সদায়ে আত্মনিয়োগ কৰি যাব। ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত চাওলুং চ্যুকাফা, বীৰ লাচিত, বীৰ চিলাৰায় আৰু এনেধৰণৰ ইতিহাসৰ মহান ব্যক্তিসকলৰ অৱদান তথা কাম-কাজসমূহ মোৰ চৰকাৰৰ বাবে সদায়ে অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব।

এই মহান ব্যক্তিসকলে আমাৰ চিৰ যুগমীয়া মূল্যবোধ আৰু জীৱন ধাৰণৰ ব্যৱস্থাক সমৃদ্ধ কৰি থৈ গৈছে। জীৱনৰ প্ৰকৃত মূল্য অনুধাৱন আৰু আমাৰ গৌৰৱোজ্জ্বল পৰম্পৰা তথা সংস্কৃতি ৰক্ষাৰ জৰিয়তে আমি **অসমক দেশৰ ভিতৰতে এখন আদৰ্শ ৰাজ্য** হিচাপে গঢ়ি তুলিবলৈ সক্ষম হ'ম।

আমাৰ দেশখনৰ আৰু বিশেষকৈ অসমৰ উন্নয়নৰ বাবে মাননীয় প্ৰধানমন্ত্ৰীৰ আদৰ্শ আৰু ভৱিষ্যত পৰিকল্পনা—**'সকলোৰে সৈতে সকলোৰে বিকাশ' (চব কা ছাথ, চব কা বিকাশ)** হ'ব মোৰ চৰকাৰৰ দিক্ নিৰ্দেশক।

অসমৰ **নিৰাপত্তা, সু-প্ৰশাসন আৰু অসমৰ সকলো নাগৰিকৰ উন্নয়নেই** হ'ব মোৰ চৰকাৰৰ উচ্চ অগ্ৰাধিকাৰৰ বিষয়। এক নিকা, দক্ষ আৰু সঁহাৰিপূৰ্ণ প্ৰশাসন প্ৰদান কৰিবলৈ আমি যথাসাধ্যে কাম কৰি যাম। প্ৰশাসনৰ সকলো স্তৰতে সম্পূৰ্ণ **দায়বদ্ধতা আৰু স্বচ্ছতা**ৰে সেৱা প্ৰদান কৰাটো সুনিশ্চিত কৰাৰ অৰ্থে আমি অহোপুৰুষাৰ্থ কৰি যাম।

মাননীয় সদস্যসকল, স্থায়ী শান্তি, নিৰাপত্তা আৰু উন্নয়নৰ এক নতুন দিগন্তৰ সূচনা কৰাৰ বাবে থকা মোৰ চৰকাৰৰ পৰিকল্পনাসমূহ আজি মই আপোনালোকৰ আগত উত্থাপন কৰিবলৈ লৈছো, যিটোৰে দৰাচলতে এখন **সুৰক্ষিত অসম, বিকশিত অসম আৰু সৰ্বশ্ৰেষ্ঠ অসম** গঢ়ি তোলাৰ জৰিয়তে অসমক গৌৰৱৰ এক নতুন শিখৰলৈ লৈ যাব।

মোৰ চৰকাৰে দৃঢ়ভাৱে বিশ্বাস কৰে যে অসম হ'ল **সম্ভাব্যতা, সম্ভাৱনীয়তা আৰু সমৃদ্ধি**ৰে পৰিপূৰ্ণ এখন ৰাজ্য। গোষ্ঠী, জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে আমাৰ নাগৰিকসকলৰ দীৰ্ঘদিনীয়া আশা-আকাংক্ষাসমূহ পূৰণ কৰাৰ অৰ্থে এক ক্ষিপ্ৰ বিকাশ সাধন কৰাৰ বাবে মোৰ চৰকাৰে এই সম্ভাৱনীয়তাসমূহ উপযুক্তভাৱে কামত লগাব। আমাৰ উদাৰ

প্ৰাকৃতিক আৰু মানৱ সম্পদৰ সৰ্বাধিক ব্যৱহাৰ তথা শেহতীয়া **গোলকীয় প্ৰযুক্তি আৰু আধুনিক ব্যৱস্থাপনা কৌশল**সমূহ উপযুক্তভাৱে কামত লগোৱাৰ দ্বাৰা অসমৰ সৰ্বাংগীণ উন্নয়ন সাধন কৰিবলৈ আমি প্ৰয়াস কৰিম। মোৰ চৰকাৰৰ লক্ষ্যসমূহে **ব্ৰহ্মপুত্ৰ উপত্যকা, বৰাক উপত্যকা, পাৰ্বত্য অঞ্চল তথা ভৈয়াম অঞ্চলকে আদি কৰি ৰাজ্যখনৰ বিভিন্ন এলেকাসমূহৰ সম উন্নয়ন**ক সামৰি ল'ব। লগতে বিভিন্ন জাতি, জনজাতি, জনগোষ্ঠীয় গোট, ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু, মহিলা, শিশু, অন্যধৰণে সক্ষম লোক, গ্ৰামাঞ্চলৰ লোক, নগৰ অঞ্চলৰ লোক, দুখীয়া লোক, নিৰনুৱা যুৱক-যুৱতী আৰু বিভিন্ন ক্ষেত্ৰত পিছ পৰি থকা লোকসকলক সামৰি সমাজৰ বিভিন্ন শ্ৰেণীৰ ন্যায্য স্বাৰ্থ সুৰক্ষিত কৰাটোও মোৰ চৰকাৰৰ লক্ষ্য হ'ব।

**অসমক ভাৰতৰ উন্নয়নৰ তালিকাৰ শীৰ্ষত থকা ৰাজ্যসমূহৰ অন্যতম এখন ৰাজ্য** হিচাপে অধিষ্ঠিত কৰাৰ অৰ্থে মোৰ চৰকাৰে সকলোবোৰ পদক্ষেপ ক্ষিপ্ৰ কৰি তুলিব। মই সন্মানীয় সদস্যসকলক আশ্বস্ত কৰিবলৈ বিচাৰোঁ যে এখন **নতুন অসম গঢ়াৰ ক্ষেত্ৰত থকা আমাৰ সপোনক বাস্তৱায়িত** কৰাৰ বাবে মোৰ চৰকাৰৰ প্ৰতিজন লোকে সকলো পৰ্যায়তে অন্তঃকৰণেৰে কাম কৰি যাব।

নিম্ন উল্লিখিত কথাবোৰে মোৰ চৰকাৰৰ পৰিকল্পনা তথা অগ্ৰাধিকাৰৰ বিষয়সমূহৰ আভাস দাঙি ধৰিছে।

**ৰাজ্যিক নিৰাপত্তা ঃ**

আমাৰ সকলো নাগৰিককে **জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা তথা স্বকীয়তা আৰু স্বাভিমান**ক সুৰক্ষা প্ৰদান কৰাৰ প্ৰতি মোৰ চৰকাৰ সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ।

**অসম চুক্তি ৰূপায়ণ ঃ**

মোৰ চৰকাৰখন অসম চুক্তি আখৰে আখৰে ৰূপায়ণ কৰাৰ প্ৰতি সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ। এইক্ষেত্ৰত গ্ৰহণ কৰিবলৈ খোজা ব্যৱস্থাসমূহ হ'ল— অসম চুক্তিৰ ৬ নং দফা অনুসৰি সাংবিধানিক, বিধায়িনী, সামাজিক আৰু সাংস্কৃতিক সুৰক্ষা প্ৰদান; অনুপ্ৰৱেশকাৰী সকলৰ পৰা সত্ৰ আৰু অন্যান্য ধৰ্মীয়, সাংস্কৃতিক আৰু পাৰিৱেশিক ভূমি সমূহৰ সুৰক্ষা; আইনৰ প্ৰক্ৰিয়া অনুসৰণ কৰাৰ জৰিয়তে সন্দেহজনক নাগৰিকৰ দ্বাৰা চৰকাৰী ভূমিত হোৱা বেদখল উচ্ছেদ; নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত ভাৰত-বাংলাদেশ সীমান্ত সম্পূৰ্ণ ছীল কৰা; সীমান্ত অঞ্চলত চলাচল কৰা নাওসমূহত চিনাক্তকৰণ চিহ্নৰ ব্যৱহাৰ সুনিশ্চিত কৰা; আৰু আন প্ৰয়োজনীয় ব্যৱস্থাসমূহ।

সকলো সন্দেহজনক লোকৰ নাগৰিকত্ব পৰীক্ষা কৰাৰ দ্বাৰা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীখন সময়মতে উন্নীতকৰণৰ প্ৰতি মোৰ চৰকাৰ সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ। ভোটাৰ তালিকা সংশোধনৰ কামত সহায়ৰ বাবে 'বায়'মেট্ৰিকচ্' আৰু অন্যান্য তথ্য প্ৰযুক্তিৰ সা-সঁজুলিৰ প্ৰয়োগৰ বাবেও মোৰ চৰকাৰে সংশ্লিষ্ট কৰ্তৃপক্ষসমূহৰ লগত আলোচনা কৰিব।

**আইন-শৃংখলা ঃ**

বিগত তিনিটা দশকতকৈও অধিক কাল ধৰি অসমে বিদ্ৰোহাত্মক কাৰ্যকলাপৰ বিৰুদ্ধে যুঁজ দি আহিছে। অৱশ্যে সকলো উগ্ৰপন্থী গোটকে হিংসাৰ পথ ত্যাগ কৰিবলৈ আৰু সমাজৰ মূল সুঁতিলৈ উভতি আহিবলৈ মোৰ চৰকাৰে আহ্বান জনাইছে। শান্তিৰ প্ৰক্ৰিয়াটো আগবঢ়াই নিবলৈ আৰু সমস্যাটোৰ সমাধানত উপনীত হ'বলৈ মোৰ চৰকাৰে প্ৰয়াস কৰি যাব।

মোৰ চৰকাৰে আইন-শৃংখলা ব্যৱস্থাটো শক্তিশালী কৰি তোলাৰ লগতে আমাৰ নিৰাপত্তা বাহিনীসমূহলৈ সকলোধৰণৰ প্ৰয়োজনীয় সহায় আগবঢ়াব। নিম্নোলিখিত পদক্ষেপ গ্ৰহণ কৰাৰ বিষয়ে বিবেচনা কৰি থকা হৈছে ঃ

(ক) দুৰ্যোগপ্ৰৱণ মণ্ডলসমূহ চিনাক্তকৰণ আৰু নতুন আৰক্ষী থানা তথা আৰক্ষী চকী স্থাপন, নতুন পদৰ সৃষ্টি আৰু পৰ্য্যাপ্ত সা-সঁজুলি তথা প্ৰশিক্ষণকে ধৰি আৰক্ষী বাহিনীৰ আন্তঃগাঁথনিৰ শক্তিশালীকৰণ।

(খ) মোৰ চৰকাৰৰ ফালৰ পৰা সন্ত্ৰাস আৰু হিংসাত্মক ঘটনাৰ দ্বাৰা ক্ষতগ্ৰস্ত আৰক্ষীৰ পৰিয়ালবৰ্গলৈ অতিৰিক্ত সহায় আগবঢ়োৱা হ'ব।

(গ) চলিত বিত্তীয় বৰ্ষৰ পৰা অহা ৩ বছৰৰ ভিতৰত প্ৰতিখন জিলাতে একোখন আদৰ্শ আৰক্ষী থানা স্থাপনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হব।

(ঘ) মোৰ চৰকাৰে অহা ৫ বছৰৰ ভিতৰত সকলো আৰক্ষী থানাত আৱশ্যকীয় ক্ষমতাসহ একোটা মহিলা কোষ স্থাপন কৰিব।

(ঙ) আৰক্ষীলোকসকলৰ প্ৰশিক্ষণৰ বাবে উন্নতমানৰ এখন একাডেমী স্থাপন কৰা হ'ব আৰু চলিত বিত্তীয় বৰ্ষৰ পৰা অহা ৩ বছৰৰ ভিতৰত দেৰগাওঁৰ আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয় খনৰ ক্ষমতা উন্নীত কৰা হ'ব। ই আৰক্ষী বিষয়া আৰু কৰ্মীসকলৰ প্ৰশিক্ষণৰ আন্তঃগাঁথনি সবলীকৰণত যথেষ্ট সহায় কৰিব।

(চ) সামাজিক প্ৰচাৰ মাধ্যমক আৰক্ষী আৰু জনসাধাৰণ যোগাযোগৰ মাধ্যম হিচাপে ব্যৱহাৰৰ বাবে পদক্ষেপ আৰম্ভ কৰা হ'ব।

(ছ) মানৱ অধিকাৰ আৰু মহিলাৰ অধিকাৰ সম্পৰ্কে ব্যৱহাৰিক ক্ষেত্ৰত আৰক্ষীৰ সংবেদনশীলতা বৃদ্ধি কৰা হ'ব।

**অৰ্থনৈতিক উন্নয়ন**

**নিয়োগ সৃষ্টি আৰু দৰিদ্ৰতা নিৰ্মূলকৰণ ঃ**

নিয়োগ সৃষ্টিৰ অৰ্থে মোৰ চৰকাৰৰ লক্ষ্য হ'ব দক্ষতা বৃদ্ধি আৰু ব্যাপক হাৰত কাৰিকৰী প্ৰশিক্ষণ, সেৰা সম্প্ৰচাৰৰ সম্ভাৱনীয়তা আৰু পৰ্যটন উদ্যোগ, ব্যৱসায়-বাণিজ্য সহজ কৰাৰ বাবে একেখন খিৰিকীৰে সমাধান, স্থানীয় উদ্যোগী আৰু যুৱকৰ দ্বাৰা পৰিচালিত ব্যৱসায়, অধিক নিয়োগ সৃষ্টিকাৰী খণ্ডসমূহৰ বৃহৎ নিয়োগ সৃষ্টিকাৰীসকলক লৈ সেৱাখণ্ড, সুৰক্ষা, বি পি অ' তথ্য প্ৰযুক্তি খণ্ডত প্ৰধান মহানগৰসমূহত নিয়োগ মেলা অনুষ্ঠিত কৰা, নিৰনুৱা যুৱক-যুৱতীসকলক উপকৃত কৰাৰ উদ্দেশ্যে সমগ্ৰ ৰাজ্যৰে নিয়োগ বিনিময় কেন্দ্ৰসমূহ উন্নীত কৰা হ'ব আৰু ডিজিটেল ব্যৱস্থাৰ দ্বাৰা সংযুক্ত কৰা হ'ব। আৰ্থিকভাৱে অনগ্ৰসৰসকলৰ বাবে প্ৰত্যক্ষ গাইগুটীয়া আঁচনি ৰূপায়ণ কৰি প্ৰত্যক্ষ লাভ হস্তান্তৰ, '*গৰীব-দুখীয়া কল্যাণ মেলা*' আয়োজন কৰা হ'ব আৰু দুখীয়াসকলক সামৰি লৈ গঠন কৰা আত্মসহায়ক গোটসমূহক সুদবিহীন হ্ৰস্বকালীন ঋণ দিয়া হ'ব।

সামগ্ৰিকভাৱে মোৰ চৰকাৰে এনে পদক্ষেপ ল'ব, যি সৰ্বস্তৰৰ বিকাশ আৰু ব্যৱসায় বাণিজ্য উন্নীতকৰণৰ দ্বাৰা অৰ্থনৈতিক উন্নয়ন আৰু বিকাশৰ ধাৰা ত্বৰান্বিত কৰিব। ই পৰ্যায়ক্ৰমে ৰাজ্যখনত দৰিদ্ৰতা নিৰ্মূল আৰু প্ৰত্যক্ষ তথা পৰোক্ষভাৱে নিয়োগ সৃষ্টিৰো সম্ভেদ দিব।

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ঃ**

মোৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সকলো আঁচনি বিশেষকৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন খণ্ডত 'এম জি এন ৰেগা' আঁচনি আদিৰ দ্বাৰা লক্ষ্য নিৰ্ধাৰিত আগ্ৰহী গোটসমূহ উপকৃত হোৱাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি

সুদক্ষভাৱে ৰূপায়ণৰ বাবে এই আঁচনিৰ অধীনত পূৰ্ণ অৱলোকিত কৰিছে। মোৰ চৰকাৰৰ লক্ষ্য অনুসৰি ই-বাণিজ্যই গ্ৰাম্য শিল্পী আৰু কাৰিকৰসকলৰ উৎপাদিত সামগ্ৰীসমূহৰ বজাৰৰ সুবিধা কৰাৰ ক্ষেত্ৰত পথ সুচল কৰি তুলিব। গ্ৰাম্য অঞ্চলত শিল্পী, কাৰিকৰ, বাঁহ আৰু বেতৰ কাৰু শিল্পী, কাঠমিস্ত্ৰী, কাঁহ আৰু পিতল শিল্পী, হস্তশিল্প কৰ্মী, ক্ষুদ্ৰ ব্যৱসায়ীলৈ অৰ্থসাহায্য আৰু প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব। ক্ষুদ্ৰ-বিত্তীয় অনুদান গ্ৰাম্য উদ্যোগীসকললৈ উপলব্ধ কৰি **প্ৰধানমন্ত্ৰীৰ মুদ্ৰা যোজনা**ৰ অধীনত আগবঢ়োৱা হ'ব। **শ্যাম প্ৰসাদ মুখাৰ্জী ৰোৰবান মিছন**ৰ অধীনত 'ৰোৰবান ক্লাষ্টাৰ'ৰ উন্নয়ন সধা হ'ব।

গ্ৰাম্য বৈদ্যুতিকৰণ, বিশুদ্ধ খোৱাপানীৰ যোগান আৰু অনাময় ব্যৱস্থা, পথ যোগাযোগ, **প্ৰধান মন্ত্ৰীৰ উজ্বলা যোজনা**ৰ অধীনত এল পি জি সংযোগৰ সুবিধাসমূহ একেলগে উপলব্ধ কৰা হ'ব।

**চহৰ উন্নয়ন ঃ**

মোৰ চৰকাৰৰ চহৰ উন্নয়নৰ লক্ষ্য হ'ব ঃ সমগ্ৰ ৰাজ্যখনতে চহৰীয়া নলা ব্যৱস্থাৰ প্ৰবহনৰ সংশোধন আৰু পুনৰ পৰ্যালোচনা কৰা, কেঁচুসাৰ, দানাকৃত্তিক সাৰ, বায়'বিয় পচন সাৰ, যান্ত্ৰিকভাৱে প্ৰস্তুত পচন সাৰ লগতে শক্তি উৎপাদনৰ দ্বাৰা চহৰীয়া গোটা আৱৰ্জনা ব্যৱস্থাপনাৰ অৰ্থে এখন অভিলাষী আঁচনিৰ আৰ্হি প্ৰস্তুত আৰু ৰূপায়ণ। আধুনিক পথৰ আৰ্হি প্ৰস্তুত আৰু ৰাজ্যখনৰ পথ সুৰক্ষা ব্যৱস্থা উন্নত কৰিবলৈ যান-বাহন পৰিচালনা ব্যৱস্থাত শেহতীয়া প্ৰযুক্তি ব্যৱহাৰ। ৰাজহুৱা উদ্যান, শিশু উদ্যান, বাছষ্টপ, পদপথ আৰু ৰাজহুৱা শৌচাগাৰ, প্ৰস্ৰাৱগাৰ আদিৰ দৰে পৰ্যাপ্ত ৰাজহুৱা সা-সুবিধা নিৰ্মাণৰ বাবে নগৰীয়া স্থানীয়

নিকায়সমূহক নির্দেশনা দিয়া। সমগ্র ৰাজ্যৰ সকলো মহানগৰ আৰু চহৰত বাছ, মিনি বাছ, মেক্সিকেব, ৰেডিঅ' টেক্সি আৰু অটোৰিক্সা আদি সামৰি ব্যৱসায়ী দৰত কাৰ্যকৰী আৰু কাৰ্যদক্ষ ৰাজহুৱা পৰিবহণ ব্যৱস্থা প্ৰদান, আঞ্চলিক বাণিজ্যিক সাম্ভাৱনীয়তাক ব্যৱহাৰ কৰিবলৈ নামনি অসম, উজনি অসম, মধ্য অসম আৰু বৰাক উপত্যকা এই প্ৰতিটো মণ্ডলতে নগৰীয়া বাণিজ্য কেন্দ্ৰ নিৰ্মাণ।

ভাৰত চৰকাৰৰ দুখন আঁচনি **প্ৰধানমন্ত্ৰী আৱাস যোজনা** আৰু **'অটল মিশ্যন ফৰ ৰিজু ভিনেশ্যন এণ্ড আৰবান ট্ৰেন্সফৰ্মেশ্যন' (AMRUT)** ১৩খন চহৰত ৰূপায়ণ কৰা হ'ব। এইক্ষেত্ৰত ২০১৬-১৭ বৰ্ষত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত গুৱাহাটী. নগাঁও, শিলচৰ, ডিব্ৰুগড়, তিনিচুকীয়া, তেজপুৰ, যোৰহাট, কোকৰাঝাৰ আৰু ধুবুৰীক তথা 'AMRUT' ৰ অধীনত গুৱাহাটী, শিলচৰ, নগাঁও আৰু ডিব্ৰুগড় চহৰক সামৰি লোৱা হ'ব।

মাননীয় প্ৰধান মন্ত্ৰীৰ উদাত্ত আহ্বান 'স্বচ্ছ ভাৰত মিছন' কাৰ্যসূচীক পূৰ্ণোদ্যমে ৰূপায়ণ কৰা হ'ব। 'ৰাষ্ট্ৰীয় চহৰীয়া জীৱিকা অভিযান' হ'ব দুখীয়াসকলৰ বাবে আমাৰ উপহাৰ স্বৰূপ।

বিত্ত আয়োগৰ অনুদানৰ অধীনত কাম-কাজসমূহ ত্বৰান্বিত কৰি তোলা হ'ব। ৰাজহুৱা পৰিবহণ সেৱা উন্নত কৰা, বানপানীৰ সমস্যা লাঘৱকৰণ, নাগৰিকৰ সা-সুবিধাৰ প্ৰসাৰণ, গোটা আৱৰ্জনাৰ দক্ষ-ব্যৱস্থাপনাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান আৰু গৃহ নিৰ্মাণৰ অনুমতি, ব্যৱসায়িক অনুজ্ঞাপত্ৰ আদিৰ বাবে একেখন খিৰিকীৰে সমাধান ব্যৱস্থা (Single window clearance system) প্ৰৱৰ্তনৰ বাবে মোৰ চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব।

**গুৱাহাটী উন্নয়ন ঃ**

মোৰ চৰকাৰৰ ভৱিষ্যৎ পৰিকল্পনাসমূহৰ ভিতৰত আছে গুৱাহাটীক এখন ‘স্মাৰ্ট চিটী’ লৈ ৰূপান্তৰিত কৰাত কেন্দ্ৰীয় চৰকাৰৰ প্ৰচেষ্টালৈ সহযোগিতা আগবঢ়োৱা, গুৱাহাটীৰ মাষ্টাৰ-প্লেনৰ সংশোধন কৰা; নতুন পথ নিৰ্মাণ, পুৰণি পথসমূহ বহল কৰা আৰু য'ত য'ত সম্ভৱ তেনে স্থানত কিছুসংখ্যক সুৰংগ পথ নিৰ্মাণৰ জৰিয়তে যান-জঁটৰ সমস্যা দূৰ কৰা; মহানগৰখনৰ সকলো লোককে সামৰি লোৱাৰ বাবে এক নতুন পানীযোগান ব্যৱস্থা স্থাপন; কৃত্ৰিম বান প্ৰতিৰোধৰ বাবে অত্যাধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ; স্বচ্ছ ভাৰত অভিযানৰ লগত সংগতি ৰাখি মহানগৰীখনৰ আৱৰ্জনা নিস্কাশন ব্যৱস্থা পুনৰ সংগঠিত কৰা; মহানগৰীখনৰ বিভিন্ন এলেকাত সেউজ চামিয়ানা (Green canopies) সৃষ্টি কৰা; মহানগৰীখনত কেইবাখনো সেউজ উদ্যান আৰু জগিং স্থান (Joggers' points) নিৰ্মাণ; মহানগৰী আৰু ইয়াৰ চৌপাশৰ পাহাৰ আৰু টিলাসমূহৰ ধ্বংসকাৰ্য প্ৰতিৰোধ কৰা তথা জলাশয়সমূহ সুৰক্ষিত কৰা আৰু বৃহত্তৰ গুৱাহাটী অঞ্চলৰ অসংযুক্ত এলেকাসমূহক সামৰি চিটি বাছৰ ব্যৱস্থা কৰা।

গুৱাহাটী মহানগৰীৰ বাবে ৰে'লভিত্তিক দ্ৰুত জন পৰিবহণ ব্যৱস্থা (Rail-based Mass Rapid Transit system) ৰ পুঁজি অনুমোদনৰ বাবে বিষয়টো সন্দৰ্ভত মোৰ চৰকাৰে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰিব। জে এন এন ইউ আৰ এম, এছীয় উন্নয়নী বেংক (ABD) জাপান আন্তঃৰাষ্ট্ৰীয় সমবায় অভিকৰণ (JICA), আৰু স্বচ্ছ ভাৰত অভিযানৰ অধীনত চলি থকা কামসমূহ খৰতকীয়া কৰি তোলা হ'ব। মহানগৰীখনত সেউজ বনানিকৰণ, মুকলি স্থান আৰু জলাশয় ব্যৱস্থাপনাৰ বাবে এক জিআইএছ ভিত্তিক (GIS-based) পৰিকল্পনা আহিলা ব্যৱহাৰ কৰা হ'ব।

**কৃষি, উদ্যান শস্য, খাদ্য প্ৰস্তুতকৰণ উদ্যোগ, পশুপালন আৰু পশু চিকিৎসা ঃ**

মোৰ চৰকাৰৰ ভৱিষ্যৎ পৰিকল্পনাসমূহে সামৰি ল'বলগীয়া বিষয়সমূহ হ'ল ঃ ভৌগোলিক সূচক (GP) ৰ জৰিয়তে অসমৰ উৎপাদিত বিভিন্ন জাতৰ চাউলৰ পৰিচয়জ্ঞাপক চিহ্নিতকৰণ, পৰ্যাপ্ত সংখ্যক খৰচীয়া শীতলী গৃহ সেৰা আৰু পণ্যাগাৰৰ সুবিধা স্থাপন কৰা, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ দ্বাৰা সম্পূৰ্ণ লাভ প্ৰদান, মৰাপাটৰ লেখীয়া শস্যৰ উৎপাদনৰে কৃষি খণ্ডত আধুনিক উদ্যোগ প্ৰতিষ্ঠাৰ দিশটোক অধিক উৎসাহিত কৰাৰ হেতু এটা সুকীয়া পুঁজি গঠনৰ সম্ভাৱনীয়তা চালি-জাৰি চোৱা, ৰাজ্যখনৰ সকলোবোৰ জিলাত কৃষকসকলক বাৰ্ষিক ভূমি স্বাস্থ্য কাৰ্ড বিতৰণ কৰা আচনিখন ত্বৰান্বিত কৰাৰ বাবে অসম কৃষি বিশ্ববিদ্যালয় আৰু ভাৰতীয় কৃষি গৱেষণা পৰিষদ (ICAR)ৰ পাৰদৰ্শিতা সমূহ ব্যৱহাৰ কৰা, কৃষি ভূমিত বহুমূখী আৰু মিশ্ৰিত কৃষিৰ বাবে সহায় আগবঢ়োৱা, কৃষি-ক্লিনিক আৰু কৃষি-বাণিজ্য কেন্দ্ৰ স্থাপন, উৎসাহ প্ৰদান কৰা, অসমৰ চাৰিটা ভৌগোলিক পৰিসীমাত ফুৰ্ড পাক স্থাপন, পৰম্পৰাগতভাৱে প্ৰস্তুত হোৱা সুৰা জাতীয় সামগ্ৰীৰ অগতানুগতিক আৰু আন্তৰ্জাতিক পৰ্য্যায় প্ৰমাণীকৃত আৰু সংবৰ্দ্ধিত কৰা, অসম কৃষি বিশ্ববিদ্যালয়ক কেন্দ্ৰীয় কৃষি বিশ্ববিদ্যালয়ৰ পৰ্যায়লৈ উন্নীত কৰাৰ সম্ভাৱনা সযত্নে বিচাৰ কৰা, স্থানীয় উৎপন্ন বস্তু আৰু বিভিন্ন প্ৰজাতিৰ কৃষি গৱেষণা বৃদ্ধি কৰা, কেন্দ্ৰীয় চৰকাৰৰ জৈৱ প্ৰযুক্তিবিদ্যা বিভাগৰ সহযোগত কৃষি জৈৱ প্ৰযুক্তিবিদ্যাৰ গৱেষণা কাৰ্যাৱলী বৃদ্ধি কৰা, অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনত কৃষি সঞ্চালকালয়ত আৰু কৃষি বিজ্ঞান কেন্দ্ৰৰ মাজত নিকট সমন্বয় প্ৰতিষ্ঠাৰ সম্প্ৰসাৰণ কাৰ্যসূচী বৃদ্ধি কৰা, অৰ্কিডৰ ওপৰত বিশেষ গুৰুত্ব সহকাৰে ৰাজ্যখনৰ বাবে এখন শক্তিশালী

উদ্যানশস্য আৰু পুষ্পোদ্যান বিজ্ঞানৰ আঁচনি উন্মোচিত কৰা, গুদাম নির্মাণ, উদ্যান শস্যৰ উৎপন্ন বস্তুৰ কাৰণে পৰিবহণ আৰু ব্যৱস্থাপনাৰ সা-সুবিধা, স্থানীয় উদ্যান শস্যৰ উৎপন্ন বস্তু বিক্ৰীৰ বাবে ই-বাণিজ্যৰ মঞ্চ প্ৰতিস্থা কৰা আৰু অসম কৃষি বিশ্ববিদ্যালয়ত অসমৰ উদ্যান শস্যৰ নিৰ্দ্দিষ্ট উৎপন্ন বস্তুৰ ওপৰত গৱেষণাৰ বিষয়বস্তু আৰু পাঠ্যক্ৰমৰ ক্ষুদ্ৰ আধাৰ প্ৰৱৰ্তন কৰা।

মাননীয় প্ৰধান মন্ত্ৰীৰ সপোন উপলব্ধ কৰি ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলক এছিয়াৰ জৈৱ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ উদেশ্যে অসমে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। মোৰ চৰকাৰে সেই লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত ঘনিষ্ঠ সহযোগিতাৰে কাম কৰিব।

কৃষকৰ কাৰণে প্ৰশিক্ষণৰ সুবিধা হোৱাকৈ প্ৰযুক্তিবিদ্যাৰ প্ৰদৰ্শন প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ অৰ্থে বকোত অসমৰ টেঙাজাতীয় শস্যৰ এটি উৎকৰ্ষতাৰ কেন্দ্ৰ স্থাপন কৰি থকা হৈছে। মোৰ চৰকাৰে উদ্যান শস্যৰ উচ্চ প্ৰযুক্তিবিদ্যাৰ প্ৰদৰ্শনৰ জৰিয়তে কৃষকৰ দক্ষতা বৃদ্ধিৰ বাবে এই কেন্দ্ৰটোৰ সদ্‌ব্যৱহাৰ কৰিব। একেদৰে, বৰমা, নগাঁওত ফলমূল আৰু শাক-পাচলিৰ বাবে আন এটি উৎকৰ্ষতাৰ কেন্দ্ৰ স্থাপন কৰা হ'ব।

উদ্যান শস্যৰ উৎপাদন আৰু উৎপাদনশীলতা বৃদ্ধিৰ বাবে শুকান বতৰত জলসিঞ্চনৰ প্ৰয়োজন অতি বেছি। জলসিঞ্চনে শস্যৰ গুণগত মানো নিশ্চিত কৰে। ভাৰত চৰকাৰৰ 'প্ৰতি টোপালত অধিক শস্য' আঁচনিৰ অধীনত ড্ৰিপ আৰু মাইক্ৰ' স্প্ৰিংক্লাৰ্ছযুক্ত ক্ষুদ্ৰ জলসিঞ্চন ব্যৱস্থা কৰাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। নতুনকৈ আৰম্ভ কৰা **'প্ৰধান মন্ত্ৰীৰ কৃষি জলসিঞ্চন যোজনা'**খন চলিত বিত্তীয় বৰ্ষৰ পৰা ৰাজ্যখনত ৰূপায়ণ কৰা হ'ব।

**মীন ঃ**

এই গুৰুত্বপূৰ্ণ খণ্ডটোৰ বাবে মোৰ চৰকাৰে হাতত লোৱা ভৱিষ্যৎ পৰিকল্পনাসমূহে সামৰি ল'বলগীয়া বিষয়সমূহ হ'ল— মৎস্য পালন আৰু পৰম্পৰাগত মৎস্যজীৱীসকলৰ বাবে সমবায় সমিতি গঠন; জিনগত অৱক্ষয় আৰু বিলুপ্তি ৰোধ কৰিবলৈ মাছৰ প্ৰজাতিসমূহৰ বাবে জিন্ বেংকৰ সা-সুবিধা প্ৰৱৰ্তন; নতুন প্ৰজাতি সংযোজনৰ কাৰণে মানবিশিষ্ট প্ৰযুক্তিগত উন্নতিৰ ৰূপায়ণ, সৃষ্টিকাৰক দিশ, বিকল্প মীন পদ্ধতি আৰু মাছৰ ৰোগ ব্যৱস্থাপনা, বহুসংখ্যক মীনপাম সৃষ্টি কৰা আৰু প্ৰযুক্তি বিদ্যাগত নিৰ্ভৰশীল মীন পালনক উৎসাহিত কৰাৰ আৰ্দ্ৰভূমি চিনাক্ত কৰাৰ বাবে দূৰৱৰ্তী চেতনা প্ৰযুক্তি ব্যৱস্থা কৰি ৰহা, নগাওঁত মীন বিজ্ঞান মহাবিদ্যালয়ৰ উন্নয়ন আৰু আধুনিকীকৰণ কৰা মোৰ চৰকাৰৰ সপোন।

খাবৰ উপযোগী আৰু আলংকাৰিক মাছ উৎপাদন দুয়োটাই আমাৰ মীন পালকসকলৰ বাবে লাভজনক ব্যৱসায়ত পৰিণত কৰি মৎস্যপালনক ৰাজ্যখনৰ অন্যতম গুৰুত্বপূৰ্ণ কৃষি হিচাপে উন্নয়ন কৰাৰ বাবে মোৰ চৰকাৰ দায়বদ্ধ।

**সমবায় ঃ**

সমবায়খণ্ডৰ বাবে মোৰ চৰকাৰে হাতত লোৱা ভৱিষ্যৎ পৰিকল্পনাসমূহ হৈছে ঃ কৃষিখণ্ডত সমবায় সমিতি গঠনত উৎসাহিত কৰা, মীন পালন, পৰ্যটন আৰু এছ এম ই (SME) খণ্ডত উৎসাহিত কৰা, ৰেচমৰ উপকৰণ উৎপাদনৰ বাবে শুৱালকুছিক এখন আদৰ্শ সমবায় উপনগৰ হিচাপে পুনৰুজ্জীৱিত কৰা, পৌৰ আৰু গ্ৰামীণ সমবায় বেংকৰ উমৈহতীয়া বিস্তৃত সংযোগ ব্যৱস্থাৰ উন্নতি সাধনৰ উপায় উদ্‌ঘাটন কৰা আৰু বিভিন্ন কৃষি আৰু কৃষি উদ্যোগ খণ্ডৰ মাজত সমবায় আন্দোলনক জনপ্ৰিয় কৰা।

মোৰ চৰকাৰে গ্ৰাম্য আন্তঃগাঁথনি (NABARD) উন্নয়ন আঁচনিৰ অধীনত অসমৰ গ্ৰাম্য অঞ্চলসমূহত গুদামগৃহ নিৰ্মাণৰ দ্বাৰা খাদ্য আৰু অন্যান্য কৃষিজাত সামগ্ৰীৰ মজুতকৰণৰ ব্যৱস্থাটো বৃদ্ধি কৰাৰ নিমিত্তে গ্ৰাম্য আন্তঃগাঁথনি সুবিধা সৃষ্টি কৰিবলৈ কেইবাখনো আঁচনি ৰূপায়ণ কৰাৰ বাবে প্ৰস্তাৱ কৰিছে। এই আঁচনিৰ অধীনত অসম ৰাজ্যিক সমবায় গৃহ নিৰ্মাণ ফেডাৰেচন লিমিটেডক অসমত ২৪৪ টা গ্ৰাম্য পন্যাগাৰ নিৰ্মাণ কৰিবলৈ দায়িত্ব দিয়া হৈছে।

আন এখন গুৰুত্বপূৰ্ণ আঁচনি হ'ল ২০১৬-১৭ চনৰ ভিতৰত পশ্চিম অসম দুগ্ধ উৎপাদক সমবায় সংঘ লিমিটেডৰ (WAMUL- 'পুৰবী নামেৰে জনাজাত) দ্বাৰা কামৰূপ জিলাৰ চাংসাৰীত পশুখাদ্য উৎপাদন প্ৰকল্পটোৰ যন্ত্ৰপাতিসমূহৰ পুনৰ ভাল অৱস্থালৈ আনি উন্নীতকৰণ কৰা, এই আঁচনিখনো আৰ আই ডি এফ ৰ আঁচনিৰ অধীনত সম্পন্ন কৰা হ'ব। সমবায় বিভাগটোক ডিজিটাইজেশ্যন কৰাৰ পদক্ষেপ হিচাপে ই-গৱৰ্নেন্স প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ৰ কাম ২০১৬-১৭ চনত কৰা হ'ব।

তদুপৰি, সমবায়সমূহৰ যুটীয়া পঞ্জীয়ক, সমবায়সমূহৰ উপ পঞ্জীয়কৰ বাবে ২০১৬-১৭ চনত জিলা আৰু মহকুমা পৰ্যায়ত নতুন কাৰ্যালয় গৃহ নিৰ্মাণৰ দ্বাৰা আন্তঃগাঁথনি উন্নয়নৰ প্ৰস্তাৱ লোৱা হৈছে।

ইয়াৰ উপৰি, অসমৰ গ্ৰামাঞ্চলৰ মহিলাসকলক অৰ্থনৈতিকভাৱে সৱলীকৰণৰ উদ্দেশ্যে মহিলা সমবায় সমিতিসমূহক ধৰি অন্যান্য সমবায় সমিতিসমূহক ব্যৱসায় বৃদ্ধিৰ বাবে আৰ্থিক সাহায্য দিয়াৰ বাবে সমবায় বিভাগে প্ৰস্তাৱ কৰিছে।

**খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা ঃ**

মোৰ চৰকাৰৰ লক্ষ্য হৈছে ৰাজহুৱা বিতৰণ ব্যৱস্থা ‘ডিজিটাইজ’কৰণ আৰু উচ্চ-প্ৰযুক্তিসম্পন্ন যান-বাহন সন্ধান ব্যৱস্থা তথা নূন্যতম সমৰ্থিত দৰত ভাৰতীয় খাদ্য নিগমৰ গুদামলৈ চাউলৰ সৰবৰাহ নিশ্চিত কৰা। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত গ্ৰামাঞ্চল আৰু চহৰাঞ্চলৰ সকলো দুখীয়া লোকক সামৰি লোৱা হ’ব। অন্ত্যোদয়া অন্ন যোজনাৰ পৰিচয় পত্ৰ থকা সকলো পৰিয়ালকে প্ৰতি মাহে ২ টকা ৰাজ সাহায্য দৰত ৩৫ কে. জি. কৈ চাউল প্ৰদান কৰা হ’ব। অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়ালৰ পৰিচয় পত্ৰ থকা সকলো পৰিয়ালৰ প্ৰতিজন সদস্যলৈ প্ৰতি মাহে ২ টকা দৰত ৫ কে জি কৈ চাউল দিয়া হ’ব।

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩ৰ অধীনৰ যোগান শৃংখলা ব্যৱস্থাপনাৰ সম্পূৰ্ণ কম্পিউটেৰাইজেশ্যনৰ অংশ হিচাপে **নিৰ্বাচিত হিতাধিকাৰী আৰু গাঁও পঞ্চায়ত সমবায় সমিতি/সূলভ মূল্যৰ দোকানসমূহৰ ১০০% তথ্য ডিজিটাইজ কৰা হৈছে**। গাঁও পঞ্চায়ত সমবায় সমিতিৰ স্তৰলৈকে ইন্টাৰনেট সংযোগ প্ৰদান কৰি থকা হৈছে। ষ্টেট ট্ৰেন্সপাৰেন্সি প’ৰ্টেল (**www.fcs.assam.gov.in**) কৰা হৈছে। ইয়াত এই বিভাগৰ সকলো বিৱৰণ মজুত থকাৰ লগতে আৱন্টনৰ সকলো তথ্যও থাকে। অতিশীঘ্ৰে অন্‌লাইনযোগে আবণ্টন ব্যৱস্থা আৰম্ভ কৰা হ’ব।

অভাৱ-অভিযোগৰ **অন্‌লাইনযোগে নিষ্পত্তিৰ ব্যৱস্থা** স্থাপন কৰা হৈছে। গুৱাহাটীস্থিত খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা সঞ্চালকালয়ত **গ্ৰাহকৰ বাবে ‘হেল্পলাইন’** আৰু **‘কল্ চেন্টাৰ’** স্থাপন কৰা হৈছে। ইয়াৰ বিনামূলীয়া যোগাযোগ নম্বৰ হৈছে 1800-345-

3611 আৰু 1967(BSNL Enabled) ।সাধাৰণ অঞ্চলৰ ক্ষেত্ৰত খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমাৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত তথা ষষ্ঠ অনুসূচী অঞ্চলৰ বাবে খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ প্ৰধান সচিব / জ্যেষ্ঠ বিষয়াসকলক ডি জি আৰ অ' হিচাপে অধিসূচিত কৰা হৈছে। ৰাজ্যিক মহিলা আয়োগক আঁচনিখনৰ নিয়মীয়া নিৰীক্ষণৰ বাবে 'ৰাজ্যিক খাদ্য আয়োগ' হিচাপে অধিসূচিত কৰা হৈছে।

পোনপটীয়াকৈ সাহায্য হস্তান্তৰ (Direct Benefit Transfer)ৰ অধীনত ৯১.৭৬% হিতাধিকাৰীক 'পহল' (PAHAL)আঁচনিৰ অধীনত সামৰি লোৱা হৈছে। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত কেৰাচিন অনলাইনযোগে আবণ্টন কৰাৰ বাবেও পদক্ষেপ গ্ৰহণ কৰা হ'ব। এই সন্দৰ্ভত ছফ্টৱেৰ নিৰ্মাণ কৰিবলৈ এন আই চি-ক অনুৰোধ জনোৱা হৈছে।

মোৰ চৰকাৰে ৰাজহুৱা বিতৰণ ব্যৱস্থা সু-শৃংখলিত কৰাৰ লগতে ধানৰ কাৰ্যকৰী ক্ৰয়, ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত পুনৰ চেনিৰ বিতৰণ আৰম্ভ আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ নিয়মীয়া যোগান নিশ্চিত কৰিব।

**পৰিৱেশ আৰু বন ঃ**

গঁড়ৰ চোৰাং চিকাৰ প্ৰতিৰোধৰ বাবে মোৰ চৰকাৰে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিব।ইয়াৰ বাবে আধুনিক প্ৰযুক্তিগত আহিলা, বৈদ্যুতিন নিৰীক্ষণ আদিৰ সহায় লোৱা হ'ব। বিশেষ গঁড় চিকাৰ প্ৰতিৰোধী টাস্ক ফ'ৰ্চক অধিক শক্তিশালী কৰি তোলা হ'ব। গঁড় চিকাৰৰ লগত জড়িত বুলি প্ৰমাণিত হোৱা সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**জীৱ-বৈচিত্ৰ্য** আমাৰ ৰাজ্যখনৰ এক **প্ৰধান শক্তিশালী** দিশ। জলাশয়সমূহৰ জীৱ-বৈচিত্ৰ্য সুৰক্ষিতকৰণকে ধৰি আমাৰ জৈৱ-বিচিত্ৰতা সংৰক্ষণৰ বাবে মোৰ চৰকাৰে জৈৱ-বিচিত্ৰতা আইনখন সঁচা অৰ্থত ৰূপায়ণ কৰিব। এই ক্ষেত্ৰত, শস্য, ফল-মূল আৰু জীৱ-জন্তুৰ বিপদাপন্ন প্ৰজাতিসমূহৰ সংৰক্ষণৰ বাবে মোৰ চৰকাৰে বিশ্ববিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠানসমূহৰ সেৱা কামত লগাব।

মোৰ চৰকাৰে বনানীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিব আৰু আদৰ্শ অসম ধাৰণাৰ এক অংশ হিচাপে পাৰিৱেশিক ভাৰসাম্য বাহাল ৰখা আৰু বন আৱৰণ বৃদ্ধিৰ বাবে ব্যাপক মাত্ৰাত বনানীকৰণ কাৰ্যসূচী গ্ৰহণ কৰিব। বিশেষকৈ ৰাজ্যখনৰ বান প্ৰৱণ এলেকাসমূহত বাঁহৰ খেতি কৰাটো হৈছে গুৰুত্ব প্ৰদান কৰিবলগীয়া আন এক বিষয়।

তদুপৰি বন অধিকাৰ আইন, ২০০৬ সঁচা অৰ্থত ৰূপায়ণ, বন্যপ্ৰাণী সম্বন্ধীয় বিবাদসমূহক ক্ষীপ্ৰ নিষ্পত্তিৰ বাবে ক্ষীপ্ৰ নিষ্পত্তিকৰণ আদালত (Fast Track Court) গঠন; পাৰিৱেশিকভাৱে স্পৰ্শকাতৰ এলেকাসমূহত প্লাষ্টিকৰ ব্যৱহাৰ নিষিদ্ধকৰণ, কাষৰীয়া সম্প্ৰদায়সমূহ আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ অংশগ্ৰহণেৰে যুটীয়া বন ব্যৱস্থাপনা কাৰ্যসূচীৰ প্ৰসাৰণ; চৰণীয়া পথাৰসমূহৰ উন্নয়ন সাধন; অতিমাত্ৰা ঔদ্যোগিক প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে নগৰীয়া প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ গঠন; পৌৰ এলেকাৰ গোটা আৱৰ্জনা আৰু জৈৱ-চিকিৎসাজনিত আৱৰ্জনাৰ দক্ষ ব্যৱস্থাপনা; চি এন জি (সংনমনকৃত প্ৰাকৃতিক গেছ), জৈৱ-ডিজেল অথবা বিদ্যুত চালিত বাহনৰ দৰে পৰিবহণৰ পৰিৱেশ অনুকূল পদ্ধতিৰ ব্যৱহাৰ; উদ্যোগসমূহ আৰু জনসাধাৰণৰ বাবে পৰিৱেশ সম্বন্ধীয় গুণগত মানৰ প্ৰয়োগ; নগৰাঞ্চলৰ জলধাৰা, নদীসমূহৰ স্বাভাৱিক সোঁত, পাহাৰ-

টিলাসমূহ আৰু মুকলি স্থানসমূহ বৰ্তাই ৰখাৰ বাবে পৰিকল্পনা আৰু ইয়াৰ পুনৰ্গঠন আদিৰ ওপৰতো মোৰ চৰকাৰে অগ্ৰাধিকাৰ প্ৰদান কৰিব।

**হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম ঃ**

হস্ততাঁত হৈছে অসমৰ পুৰুষানুক্ৰমে উপলব্ধ এক অমূল্য সম্পদ আৰু ই হ'ল অসমৰ সমৃদ্ধিৰ এক দৃষ্টান্ত স্বৰূপটোক সাতামপুৰুষীয়া বয়ন পৰম্পৰাত নিয়োজিত দক্ষ শিপিনীসকলে এতিয়াও সজীৱ কৰি ৰাখিছে। অসমৰ শিপিনীসকলে পৌৰানিক আখ্যান, বিশ্বাস, প্ৰতীক তথা বিভিন্ন প্ৰতিমূৰ্ত্তিক দক্ষতাৰে সংমিশ্ৰণ কৰি তেওঁলোকে উৎপাদন কৰা বস্ত্ৰক আকৰ্ষনীয় গতিশীলতা প্ৰদান কৰিছে। হস্ততাঁত খণ্ডটোৱে ২৫ লাখ গৰাকীতকৈ অধিক শিপিনী আৰু ইয়াৰ লগত জড়িত সহযোগী কৰ্মীক নিয়োগৰ সুবিধা প্ৰদান কৰিছে। নিয়োগৰ সুবিধা আগবঢ়োৱাৰ ক্ষেত্ৰত কৃষিখণ্ডৰ পিছতেই এই খণ্ডটোৱে দ্বিতীয় স্থান অধিকাৰ কৰি আছে। হস্ততাঁত হৈছে অসমৰ এক সাংস্কৃতিক ঐতিহ্য আৰু সেয়েহে মোৰ চৰকাৰে এই খণ্ডটোক সুৰক্ষা আৰু উদগনি প্ৰদান কৰিব।

ৰেচম হৈছে এক কৃষিভিত্তিক উদ্যোগ। ই গ্ৰাম্য অৰ্থনীতিৰ উত্থানত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এৰী, মুগা, নুনীগছ আৰু টছৰ (Tassar) লেখীয়া বাণিজ্যিকভাৱে উপলব্ধ বিভিন্ন ধৰণৰ পাটপলুৰ উৎপাদনেৰে পৃথিৱীৰ ভিতৰতে একমাত্ৰ ৰাজ্য হিচাপে অসমে এক অদ্বিতীয় খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। এই ঘৰুৱা বৃত্তিটোক এটা কাৰ্যকৰী বাণিজ্যিক বৃত্তিলৈ ৰূপান্তৰ কৰিবলৈ মোৰ চৰকাৰে কাম কৰি যাব।

অন্যান্য বিষয়ৰ লগতে মোৰ চৰকাৰে হাতত লোৱা ভবিষ্যৎ পৰিকল্পনাসমূহৰ ভিতৰত অগ্ৰাধিকাৰ ভিত্তিক কেতবোৰ বিষয় হ'ল-

আন্তঃৰাষ্ট্ৰীয় মানৰ মুগা সূতা উৎপাদন, উচ্চ পৰ্যায়ৰ চৰকাৰী স্মৃতিচিহ্ন বিতৰণত ৰেচমজাত সামগ্ৰীৰ বিতৰণ বাধ্যতামূলককৰণ, ৰেচম খণ্ডটোক পুনৰুজ্জীৱিত কৰাৰ বাবে স্থানীয় উদ্যমিতাক উদগনি, ৰাজ্যখনৰ পাট উদ্যোগক উদগনি জনোৱাৰ অৰ্থে ৰাজ্যিক ই-প্লেটফৰ্ম সমূহৰ সহযোগত ডিজিটেল প্লেটফৰ্ম নিৰ্মাণ, সকলো চৰকাৰী কাৰ্যালয়তে কেৱল থলুৱা বস্ত্ৰৰ ব্যৱহাৰ বাধ্যতামূলককৰণ, ঘৰুৱা সাজসজ্জা আৰু আচবাবত হস্ততাঁত উৎপাদিত স্থানীয় সামগ্ৰীৰ ব্যৱহাৰ, ৰাজ্যিক অতিথিসকলৰ বাবে স্থানীয়ভাৱে উৎপাদিত স্মৃতিচিহ্নৰ ব্যৱহাৰ, অসমৰ ঐতিহ্যমণ্ডিত পাটসূতালৈ ভৌগোলিক চিহ্ন (Geographical Indication) প্ৰদান, অসমৰ হস্ততাঁত আৰু হস্তশিল্পক বিশ্বজনীন বজাৰত উপলব্ধ কৰাৰ বাবে ই বাণিজ্যৰ বিকাশ, স্থানীয়, ৰাজ্যিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰদৰ্শনীৰ জৰিয়তে হস্ততাঁত উৎপাদিত সামগ্ৰীৰ চাহেকি উদ্ভাৱনত উদগনি।

২০১৬-১৭ বিত্তীয় বৰ্ষৰ বাবে প্ৰস্তাৱিত কাৰ্যসূচী হ'ল ২০১৬-১৭ বৰ্ষৰ শেষত মুগা কেঁচা পাট উৎপাদনৰ পৰিমাণ ১২৬ মেট্ৰিকটনৰ পৰা ১৩০ মেট্ৰিকটনলৈ আৰু এৰী কেঁচা পাট উৎপাদনৰ পৰিমাণ ২৫০০ মেট্ৰিকটনৰ পৰা ২৮১৬ মেট্ৰিকটনলৈ বৃদ্ধিৰ লক্ষ্য। হিতাধিকাৰীমুখী আঁচনিৰ অধীনত ২০১৬-১৭ বৰ্ষৰ শেষত বিভিন্ন সাহায্যৰ জৰিয়তে হিতাধিকাৰীৰ সংখ্যা ৬৩,১১০ গৰাকীৰ পৰা ৭০,০০০ গৰাকীলৈ বৃদ্ধিৰ লক্ষ্য। পালক/ শিপিনী/ উদ্যোগী/ আমদানিকাৰী/ ৰপ্তানিকাৰী/ গৱেষক আদিৰ মাজত সজাগতা বৃদ্ধিৰ অৰ্থে ৰেচমজাত সামগ্ৰী, আধুনিক সৰঞ্জাম আৰু সঁজুলিৰ প্ৰদৰ্শন/ বিক্ৰী; কেঁচা পাট, উন্নত মানৰ লেটা, বিভিন্ন সামগ্ৰীৰ উৎপাদন বৃদ্ধি; ৰাজ্যিক ৰাজহ আহৰণ আৰু ৰাজ্যৰ ৰেচম পৰ্যটনৰ বিকাশৰ বাবে গুৱাহাটীৰ খানাপাৰাস্থিত ৰেচম নগৰত "ৰেচম

হাব” স্থাপন। খণ্ড ৰেচম উন্নয়ন প্ৰকল্পৰ অধীনত মহিলা ভিত্তিক আঁচনি আৰম্ভ কৰা হ'ব।

ৰেচম খণ্ডৰ লগত জড়িত লোক, ছাত্ৰ-ছাত্ৰী, গৱেষক, সম্ভাৱনাপূৰ্ণ উদ্যোগী আৰু সাধাৰণ পৰ্যটকৰ সহায়ক হোৱাকৈ দৃশ্য-শ্ৰাব্য প্ৰদৰ্শন গোটৰ লেখীয়া অতিৰিক্ত আকৰ্ষণীয় বৈশিষ্ট্য প্ৰৱৰ্তনৰ জৰিয়তে খানাপাৰাত থকা ৰেচম সংগ্ৰহালয়টোক নতুন ৰূপত গঢ়ি তোলা হ'ব। ইয়াৰ লক্ষ্য হৈছে অসমৰ পৰম্পৰাগত চহকী ৰেচম উদ্যোগৰ প্ৰচাৰ আৰু আধুনিকীকৰণ।

২০২৬ চনৰ ভিতৰত বন্য ৰেচমৰ আন্তৰ্জাতিক বজাৰত অসমক শীৰ্ষ স্থানত অৱস্থিত কৰোৱাবলৈ মোৰ চৰকাৰে প্ৰচেষ্টা চলাব। ইয়াৰ বাবে বহনক্ষম উন্নয়নৰ লক্ষ্যৰ অধীনত অসম ৰেচম সম্প্ৰসাৰণ অভিযান (Assam Silk Outreach Mission) 'চেনেহজৰী' নামেৰে এক অভিযান প্ৰকৃতিৰ প্ৰকল্প হাতত লোৱা হৈছে। অসম ৰেচম সম্প্ৰসাৰণ অভিযান হৈছে দহ বছৰৰ ভিতৰত এক নিযুত কিলোগ্ৰাম মুগা, ১০ নিযুত কিলোগ্ৰাম এৰী, ০.১৫ কিলোগ্ৰাম পাট উৎপাদন, ৰেচম আৰু হস্ততাঁত খণ্ডৰ এক সংহত উন্নয়ন আৰু আমাৰ গাঁওসমূহত সম্পদ সৃষ্টিৰ বাবে অসমত চলোৱা এক অভিযান।

**উদ্যোগ আৰু বাণিজ্য ঃ**

মোৰ চৰকাৰখনৰ প্ৰতি এটা ডাঙৰ প্ৰত্যাহ্বান হৈছে সদায় সংখ্যা বৃদ্ধি হৈ অহা নিবনুৱা যুৱক-যুৱতীসকলৰ বাবে নিয়োগ সৃষ্টিৰ উপায়। নিয়োগ সৃষ্টিৰ বাবে ৰাজ্যখনত বৃহৎ আৰু মজলীয়া উদ্যোগ স্থাপনৰ জৰিয়তে মোৰ চৰকাৰখনে **'ইজ অৱ দুইং বিজনেছ'** ৰূপায়ণ কৰিব আৰু **'মেক ইন ইণ্ডিয়া'**ৰ বাবে গ্ৰহণ কৰা উদ্যোগৰ অধীনত ৰাষ্ট্ৰীয়

আৰু বহু-ৰাষ্ট্ৰীয় কাৰখানা স্থাপনৰ জৰিয়তে উৎপাদনৰ ক্ষেত্ৰত সহায় আগবঢ়াব, ইয়াৰ বাবে ৰাজ্যিক ঔদ্যোগিক নীতিৰ লগতে এন ই আই আই পি পি'০৭ৰ অধীনত আৱশ্যকীয় পন্থা গ্ৰহণ কৰা হ'ব।

মোৰ চৰকাৰে যুৱক-যুৱতীসকলক চিন্তাধাৰা পৰিৱৰ্তনেৰে নিয়োগৰ পথ হিচাপে ব্যৱসায় উদ্যোগৰ প্ৰতি আগ্ৰহী হ'বলৈ উৎসাহিত কৰিব বিচাৰে; **স্কীল ইণ্ডিয়া প্ৰগ্ৰেম**'ৰ অধীনত যুৱক-যুৱতীসকলক দক্ষতা বৃদ্ধিৰ সুযোগ প্ৰদান; **'মেক ইন ইণ্ডিয়া'** আঁচনিৰ অধীনত বৃহৎ আৰু মজলীয়া ধৰণৰ কাৰখানাসমূহ নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত এক বৃহৎ ভূমিকা বিচাৰ কৰা; ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহক **'ষ্টাৰ্ট আপ ইণ্ডিয়া'** আঁচনিৰ অধীনত সহায় আগবঢ়োৱা হ'ব যিখন আঁচনিয়ে বিত্তীয়, আন্তঃগাঁথনি, প্ৰযুক্তিবিদ্যা, বজাৰ সম্বন্ধীয় সহযোগিতা আৰু উষ্মায়িক কেন্দ্ৰসমূহক সামৰি ল'ব, আমাৰ চৰকাৰে পৰিত্যক্ত ভূমি আৰু বন্ধ হোৱা ৰাজহুৱা খণ্ডৰ অন্তৰ্গত ভূমি ব্যৱহাৰ কৰি সকলো ধৰণৰ উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব। **'এক্ট ইষ্ট'** আঁচনিৰ অধীনত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰখনত **ব্ৰেণ্ড আছাম বেনাৰত** অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব।

মোৰ চৰকাৰে তলত দিয়া ধৰণে কৌশলসমূহ গ্ৰহণ কৰিব— **ব্যৱসায়ত সহায়ক হোৱাকৈ প্ৰামাণিক ব্যৱস্থাৰে একক খিৰিকী অভিকৰণেৰে** সঠিকভাৱে ক্ষিপ্ৰ উদ্যোগীকৰণত গুৰুত্ব প্ৰদান কৰিব। কেঁচা সামগ্ৰী যোগানত অগ্ৰগামী আৰু পশ্চাৎমুখী যোগসূত্ৰৰ উন্নয়নে ঘৰুৱা উৎপাদিত সামগ্ৰীৰ সুবিধাজনক বজাৰ সৃষ্টিৰ প্ৰচেষ্টা চলাব। আন্তঃৰাষ্ট্ৰীয় শ্ৰেষ্ঠতম প্ৰযুক্তি, ব্যৱস্থাপনা, বিপণন, গৱেষণা তথা উন্নয়ন আৰু প্ৰযুক্তিগত গৱেষণাৰ উদ্ভাৱনৰ ব্যৱহাৰ বৃদ্ধি কৰা। পৰম্পৰাগত,

শিল্পকলা প্ৰশিক্ষণৰ দ্বাৰা উদ্যোগ, বিপণন, বিত্ত, সামূহিক উন্নয়নক পুনৰ উদ্দীপ্ত আৰু তীব্ৰতৰ কৰা। অসম চাহ নিগমকে ধৰি চাহ উদ্যোগৰ উন্নয়ন। ঔদ্যোগিক প্ৰতিষ্ঠানসমূহৰ লগত আলোচনা কৰি বৃহৎ বিনিয়োগ আকৰ্ষণ কৰাৰ অৰ্থে ৰাজ্যিক ঔদ্যোগিক নীতিৰ পুনৰীক্ষণ। চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাই পথ সংযুক্ত হোৱাকৈ ঔদ্যোগিক কেন্দ্ৰস্থল স্থাপন। ৰাজ্যখনত বিনিয়োগৰ প্ৰসাৰৰ বাবে বিনিয়োগকাৰীৰ বৈঠক আয়োজন কৰা। উদ্যোগী, ছাত্ৰ-ছাত্ৰীসকলৰ বাবে শিক্ষামূলক আৰু অধ্যয়নমূলক ভ্ৰমণ। তৃণমূল পৰ্যায়ত উদ্ভাৱক/উদ্যোগীসকলৰ বাবে উদ্ভাৱন পুঁজি। ৰাজ্যখনত উদ্যোগ স্থাপনত সহায়ক হোৱাকৈ বৃত্তিগত পৰামৰ্শদাতা নিয়োগ। উন্নত ৰাজ্যসমূহৰ দৰে দক্ষতা উন্নয়ন আৰু শিক্ষা নবিচৰ ব্যৱস্থা। বৃহৎ আৰু মধ্যমীয়া উদ্যোগ স্থাপনৰ বাবে ৰাজ্যিক উদগনি।

ঔদ্যোগিক উন্নয়নৰ বাবে মোৰ চৰকাৰৰ লক্ষ্য হ'ল— চৰকাৰী উদ্বৃত্ত ভূমিৰে (বাসিন্দাসকলক অপসাৰিত নকৰাকৈ) ভূমি বেংক স্থাপন। সম্ভাৱনাময় বিনিয়োগকাৰীক সুবিধা প্ৰদান আৰু অবৈধ কাৰ্যকলাপ নিৰ্মূলকৰণৰ বাবে জিলা মুখ্য কাৰ্যালয়ত 'একক খিৰিকী সমাধান' স্থাপন। উপযুক্ত উদগনি প্ৰৱৰ্তনৰ দ্বাৰা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বিনিয়োগকাৰীৰ পৰা বিনিয়োগৰ বাবে আমন্ত্ৰণ। ডিব্ৰুগড়স্থিত গেছ ক্ৰেকাৰ প্ৰকল্পৰ পৰা উপলব্ধ কেঁচা সামগ্ৰীৰে ভটিয়ন উদ্যোগ স্থাপনত উৎসাহ যোগোৱা। শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ অধিকাৰ সুৰক্ষাৰ লগতে ভৌগোলিক আৰু পাৰিপাৰ্শ্বিক সূচাংকৰ লগত সংগতি ৰাখি উদ্যোগৰ বিভিন্ন খণ্ডৰ বাবে বিশেষ অৰ্থনৈতিক মণ্ডল স্থাপন। বন্ধ হৈ থকা ঔদ্যোগিক প্ৰতিষ্ঠানসমূহ পুনৰুজ্জীৱিত কৰাৰ বাবে সময় নিৰ্ধাৰিত ব্যৱস্থা গ্ৰহণ। বিশেষ ঔদ্যোগিক মণ্ডলৰ অংশ হিচাপে বাঁহ, বেত, ৰেচম আৰু কাঁহ-পিতলৰ লেখিয়া পৰম্পৰাগত কুটিৰ শিল্প স্থাপন।

মাননীয় প্ৰধানমন্ত্ৰীৰ **'এক্ট ইষ্ট'** নীতি অনুসৰি মোৰ চৰকাৰে নিয়োগ সৃষ্টিৰ দ্বাৰা উদ্ভাৱনীমূলক ধাৰণাৰে শেহতীয়া প্ৰযুক্তি ব্যৱহাৰ কৰা ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগীসকলক উৎসাহিত কৰা, সাহায্য আগবঢ়োৱা আৰু পুৰস্কৃত কৰা; কৃষিভিত্তিক উদ্যোগসমূহৰ প্ৰয়োজনীয়তাৰ জোৰা মাৰিবলৈ গুৱাহাটী, শিলচৰ আৰু যোৰহাটৰ দৰে ঠাইত ভঁড়ালগৃহ আৰু শীতল পণ্যাগাৰ কেন্দ্ৰৰূপে গঢ়ি তোলা; ক্ষুদ্ৰ উদ্যোগসমূহলৈ সেৱা আৰু সাহায্যৰ সা-সুবিধা প্ৰদানৰ বাবে জিলা উদ্যোগ পৰামৰ্শদান কেন্দ্ৰ গঠন কৰা; সম্ভাৱনাময় উদ্যোগীসকলৰ বাবে উদগনি কেন্দ্ৰ স্থাপন কৰিবৰ বাবে উদ্যোগ আৰু শৈক্ষিক প্ৰতিষ্ঠানৰ মাজৰ সহযোগিতাক উৎসাহিত কৰা; ৰাজ্যখনৰ উৎপাদিত সামগ্ৰী আৰু সেৱাসমূহৰ কেন্দ্ৰ হিচাপে উপস্থাপন আৰু ভৌগোলিক সূচাংক (GI) সংৰক্ষণ কৰিবলৈ মোৰ চৰকাৰে অসমক তথ্য প্ৰযুক্তিৰ এক কেন্দ্ৰ হিচাপে গঢ়ি তুলিব।

**চাহ উদ্যোগ ঃ**

চাহ উদ্যোগৰ উন্নয়নৰ কাৰণে মোৰ চৰকাৰৰ লক্ষ্য হৈছে; বাগিচা শ্ৰমিক আইন, ১৯৫১খনৰ সঠিক কাৰ্য্যকৰীকৰণ, চাহ শিল্পৰ বনুৱা সকলক যথোপযুক্ত সামাজিক, আৰ্থিক আৰু স্বাস্থ্যজনিত নিৰাপত্তা প্ৰদান কৰা; ক্ষুদ্ৰ চাহ খেতিয়কৰ আত্মসহায়ক গোট অথবা সমবায় সমিতিবোৰক উৎসাহিত কৰা, স্বাস্থ্য সচেতন বজাৰখনত প্ৰৱেশৰ উদ্দেশ্যৰে ৰাসায়নিক সাৰৰ অতিমাত্ৰা ব্যৱহাৰ আৰু ভেজালকৰণক নিৰুৎসাহিত কৰি জৈৱিক উৎপাদন বৃদ্ধি কৰা, অসমৰ চাহৰ এক আন্তঃৰাষ্ট্ৰীয় পৰিচয় সৃষ্টি কৰা, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰখনৰ সঠিকভাৱে প্ৰৱেশৰ বাবে 'ই-কমাৰ্চ' বহুলভাৱে প্ৰয়োগ কৰা, চাহৰ গুণগত মানদণ্ড বৃদ্ধিৰ বাবে উদ্যমিতা, গৱেষণা আৰু উদ্ভাৱনক উৎসাহিত কৰা।

মোৰ চৰকাৰে অসম চাহ নিগমকে ধৰি ৰাজ্যৰ ৰুগ্ন চাহ বাগিচাবোৰক পুনৰুজীৱিতকৰণৰ সম্ভাৱনীয়তাৰ বাবে বিশেষজ্ঞসকলৰ দ্বাৰা এক অধ্যয়ন চলাব।

অসমৰ চাহ শিল্পৰ বিকাশৰ বাবে দেশ আৰু বিদেশৰ উন্নত চাহ উদ্যোগৰ সৈতে মত বিনিময়, চাহ কাৰখানা আধুনিকীকৰণ আৰু ইলেক্ট্ৰনিক চাহ নিলামক উৎসাহিত কৰা, চাহ বাগিচা পৰ্যটনৰ উন্নয়ন সাধন আৰু চাহ শিল্পৰ অধ্যয়নৰ লগত জড়িত থকা গৱেষণা আৰু উন্নয়নৰ প্ৰতিষ্ঠান বিলাকৰ উত্তৰণ সাধন।

**জলসিঞ্চন, জলসম্পদ, বান আৰু খহনীয়া নিয়ন্ত্ৰণ ঃ**

মোৰ চৰকাৰৰ ভৱিষ্যত পৰিকল্পনাসমূহৰ ভিতৰত কাৰিকৰীভাৱে উন্নত ব্যৱস্থা গ্ৰহণ, জলসিঞ্চনৰ আৰ্দ্ৰতা সংৰক্ষণ পদ্ধতি ড্ৰীপ এণ্ড স্প্ৰীংকলাৰ (Drip and Sprinkler) জলসিঞ্চনৰ নিচিনা সুবিধাসমূহ ৰাজ্যখনৰ কৃষিভূমিলৈ আগবঢ়োৱাও অন্যতম।

মোৰ চৰকাৰে বানপানী আৰু গৰাখহনীয়া নিয়ন্ত্ৰণ ব্যৱস্থাক সৰ্বাধিক অগ্ৰাধিকাৰ প্ৰদান কৰিছে। বিশ্বৰ বৃহত্তম নদীদ্বীপ মাজুলী আমাৰ গৌৰৱময় ঐতিহ্য ক্ষেত্ৰ, বৈষ্ণৱ সংস্কৃতিৰ ই এক অতি সন্মানজনক কেন্দ্ৰ। মাজুলীক উচ্চ অগ্ৰাধিকাৰ মণ্ডল হিচাপে গণ্য কৰা হ'ব আৰু ইয়াৰ গৰাখহনীয়া নিয়ন্ত্ৰণ তথা ইয়াৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ বাবে এক কৰ্ম আঁচনি গ্ৰহণৰ উদ্দেশ্যে এখন বিশেষজ্ঞ কমিটী গঠন কৰা হ'ব। ব্ৰহ্মপুত্ৰ নদী খনন অধ্যয়নৰ বাবে এটি বিশেষজ্ঞ গোট গঠন কৰি ভৱিষ্যতে ল'ব লগা কাৰ্যপন্থা বিষয়টোও বিবেচনা কৰা হ'ব। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ বুকুলৈ পলস কঢ়িয়াই অনা কাৰ্য নিয়ন্ত্ৰণৰ উদ্দেশ্যে অববাহিকা পৰ্যায়ৰ সন্থাৰ জৰিয়তে অববাহিকা এলেকাৰ গুণগত

উৎকৰ্ষ সাধনাৰ্থে ব্যৱস্থা লোৱাৰ প্ৰয়োজন। বৰ্তমানে থকা ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ পুনৰ গঠনৰ জৰিয়তে NEBRRA উত্তৰ-পূব ব্ৰহ্মপুত্ৰ নদী পুনৰ উজ্জীৱিতকৰণ প্ৰাধিকৰণ (এটি অববাহিকা পৰ্যায়ৰ সন্থা) গঠনৰ প্ৰস্তাৱটো কেন্দ্ৰীয় চৰকাৰক ক্ষিপ্ৰতৰ কৰিবলৈ অনুৰোধ জনোৱা হ'ব।

মোৰ চৰকাৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত এম জি এনৰেগা আঁচনিৰ দ্বাৰা গৰাখহনীয়া প্ৰতিৰোধৰ বাবে নদীৰ পাৰে পাৰে বৃক্ষ ৰোপন (যেনে- বাঁহ, মেংগ্ৰোভ)ৰ ৰোপনৰ দৰে উদ্ভাৱনীমূলক আঁচনি ৰূপায়ণ কৰি সম্পদৰ চিনাক্তকৰণ কৰিব।

বানপানীৰ দ্বাৰা ক্ষতিগ্ৰস্ত এলেকাসমূহৰ বাসিন্দাসকলৰ জীৱিকাৰ সুৰক্ষাৰ বাবে মোৰ চৰকাৰে মথাউৰিসমূহ নিৰ্মাণ আৰু শক্তিশালী কৰিব, এম জি এনৰেগাৰ অধীনত নৈৰ পাৰসমূহত বনানিকৰণৰ বাবে স্থান চিনাক্ত কৰিব আৰু কৃষিজাত শস্য, পোহনীয়া পশু আদিক সুৰক্ষাৰ বাবে উপযুক্ত নলা-নৰ্দমাৰ ব্যৱস্থা কৰিব। বান আৰু খহনীয়াত ক্ষতিগ্ৰস্তসকলৰ বাবে এখন বীমা আৰু পুনৰ সংস্থাপন আঁচনি প্ৰৱৰ্তনৰ সম্ভাৱনীয়তা সন্দৰ্ভত মোৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিব।

**গড়কাপ্তানী বিভাগ (ৰাষ্ট্ৰীয় ঘাইপথ আৰু গৃহ) ঃ**

মোৰ চৰকাৰৰ পদক্ষেপসমূহে পথ যোগাযোগ ব্যৱস্থাৰ সৰলীকৰণ আৰু উন্নয়নকো সামৰি ল'ব। মঙলদৈ বাইপাচ আৰু গৌৰীপুৰ বাইপাচৰ বাবে ভূমি অধিগ্ৰহণৰ কাম হাতত লোৱা হ'ব। ৯৬৯.২২৩ কিঃ মিঃ দৈৰ্ঘ্যৰ পথ সামৰি ১৩টা নতুন ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা হ'ব। ধোদৰ আলি, ৰমণি আলি, গোৰেশ্বৰ- খৈৰাবাৰী-টংলা হৈ বাইহাটা চাৰিআলিৰ পৰা ওদালগুৰিলৈ, নাহৰকটীয়া-নামৰূপ হৈ লাহোৱালৰ পৰা

সোণাৰীলৈ, ৰাজগড় হৈ মৰাণৰ পৰা নাহৰকটীয়ালৈ মুঠ ৩১৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথৰ বাবে সম্ভাৱনীয়তা অধ্যয়ন আৰু ২৫৪ কিলোমিটাৰ দৈৰ্ঘ্য সামৰি নতুনকৈ ঘোষিত ৬টা ৰাষ্ট্ৰীয় ঘাইপথক ২০১৬-১৭ বৰ্ষৰ বাৰ্ষিক পৰিকল্পনাত অন্তৰ্ভুক্ত কৰা হ'ব।

কৃষিভিত্তিক উদ্যোগ, উদ্যান শস্য আৰু পৰ্যটনৰ সুযোগ থকাৰ লগতে নিশ্চিত নিয়োগ সৃষ্টি কৰিব পৰা আৰু জনমূৰি আয় বৃদ্ধি কৰিব পৰা বিস্তৃত এলেকাসমূহক যাতায়াতৰ আন্তঃগাঁথনি বৃদ্ধিৰ উদ্দেশ্যে অব্যৱহৃত হৈ থকা যোগাযোগ ব্যৱস্থা নিৰ্মাণ কৰি তোলা হ'ব।

দিছপুৰত উচ্চ আৰু নিম্ন সদন উভয়ৰে ব্যৱস্থা থকা নতুন অসম বিধানসভা ভৱনৰ নিৰ্মাণৰ কাম খৰতকীয়া কৰি তোলা হ'ব।

ভেলোৰ, চেন্নাই, কলকাতা আৰু বাঙ্গালুৰুত চলি থকা অসম ভৱন নিৰ্মাণৰ কাম উপযুক্ত পুঁজি যোগানেৰে ২০১৭ চনৰ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব। ১৯ খন আদৰ্শ বিদ্যালয় নিৰ্মাণ আৰু ২০ টা ছাত্ৰী নিবাসৰ নিৰ্মাণৰ কাম এইবছৰতে সম্পূৰ্ণ কৰা হ'ব।

উদ্যোগ আৰু বজাৰৰ চাহিদা পূৰণ কৰিব পৰাকৈ অসমৰ আই টি আই বিলাক আধুনিকীকৰণ আৰু ইয়াৰ পাঠ্যক্ৰমো উন্নীত কৰা হ'ব। ইয়ে ৰাজ্যখনৰ যুৱচামৰ বাবে নিয়োগৰ সুযোগ সৃষ্টি কৰিব।

**গড়কাপ্তানী বিভাগ (পথ) ঃ**

মোৰ চৰকাৰে ৰাজ্যখনৰ গাঁওসমূহক জিলা আৰু ৰাজ্যিক ঘাইপথৰ সৈতে সংযোজিত কৰা পকী পথেৰে সংলগ্ন কৰিব বিচাৰিছে। সুগম যাতায়াত আৰু যোগাযোগ ব্যৱস্থা উপলব্ধ কৰিবলৈ পৰ্যায়ক্ৰমে অসমৰ সকলো জিলা/ৰাজ্যিক পথবিলাকো পুনৰ নিৰ্মাণ আৰু পুনৰুজ্জীৱিত

কৰা হ'ব। ৰাষ্ট্ৰীয় ঘাইপথ উন্নয়ন আঁচনি (এন এইচ ডি পি)ৰ অধীনত প্ৰধান ঘাইপথবিলাকৰ উন্নয়ন আৰু বহলীকৰণ হোৱাকৈ ইষ্ট ৱেষ্ট কৰিডৰৰ কাম সম্পন্ন কৰা হ'ব; ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ ওপৰত অধিক দলং নিৰ্মাণ কৰা হ'ব আৰু ৰাজ্যখনৰ সকলো কাঠৰ দলং পৰ্যায়ক্ৰমে পকী দলঙলৈ ৰূপান্তৰিত কৰা হ'ব।

**জলপথ ঃ**

মোৰ চৰকাৰে ব্ৰহ্মপুত্ৰ নদীৰ খননৰ সম্ভাৱনীয়তা সম্পৰ্কে অধ্যয়ন কৰা, পলসৰ উৎসসমূহ চিনাক্ত কৰা আৰু সেইমতে ব্যৱস্থা গ্ৰহণ কৰাটো নিজ লক্ষ্যত সামৰি লৈছে। এই অধ্যয়নে ব্ৰহ্মপুত্ৰ নদীৰ বহু শাখাযুক্ততাৰ বৈশিষ্ট্যক এটা শাখালৈ পৰিৱৰ্তিত কৰাৰ সম্ভাৱনীয়তাকো সামৰি ল'ব যিটোৰ জৰিয়তে নদীখনৰ গভীৰতা বৃদ্ধি হ'ব আৰু এই প্ৰক্ৰিয়াৰ ফলত কৃষি তথা অন্যান্য কাৰ্যত ব্যৱহাৰ কৰিব পৰা বৃহৎ পৰিমাণৰ উদ্বৃত্ত ভূমি লাভ কৰিব পৰা যাব।

ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীত আভ্যন্তৰীণ জলপৰিবহণ ব্যৱস্থাৰ নিচিনা বিকল্প পৰিবহণ ব্যৱস্থাৰ বিশ্লেষণ আৰু কাৰ্যকৰীকৰণৰ লগতে ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ সন্মুখভাগ অত্যাধুনিকৰূপে গঢ়ি তোলাৰো লক্ষ্য লোৱা হৈছে।

**অসামৰিক বিমান পৰিবহণ ঃ**

আমাৰ চৰকাৰে ৰাজ্যখনৰ পৰিত্যক্ত বিমানবন্দৰসমূহ পুনৰুজ্জীৱিত কৰাৰ সম্ভাৱনাখিনি উদ্ভাৱন কৰিব। সুবিধাজনক স্থানত নতুন বিমানবন্দৰ নিৰ্মাণ কৰিব আৰু ভাৰত চৰকাৰৰ সহযোগত লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমানবন্দৰটো এটা বিশ্বমানৰ বিমান বন্দৰলৈ উন্নীত কৰিব।

**ৰে'ল ঃ**

কেন্দ্ৰীয় ৰে'ল মন্ত্ৰালয়ৰ দ্বাৰা নিৰ্মাণ কৰি থকা বগীবিল দলঙৰ কাম সম্পূৰ্ণ কৰা, ব্ৰহ্মপুত্ৰ নৈৰ ওপৰত আৰু অধিক ৰে'ল তথা দলং নিৰ্মাণ কৰা, গজ সংযুক্তকৰণ আঁচনিৰ কাম ত্বৰান্বিতকৰণ আৰু ৰাজ্যখনৰ প্ৰধান ৰে'ল পথসমূহ দ্বৈত ৰে'ল পথলৈ ৰূপান্তকৰণৰ বাবে মোৰ চৰকাৰে ভাৰত চৰকাৰৰ সৈতে সমিলমিলেৰে কাম কৰি যাব।

**গৃহ নিৰ্মাণ ঃ**

গৃহ নিৰ্মাণ খণ্ডত মোৰ চৰকাৰে প্ৰাধান্য দিব আৰু নিম্ন আৰু অনিয়মীয়া উপাৰ্জনক্ষম লোকৰ বাবে গৃহ নিৰ্মাণৰ ক্ষুদ্ৰ বিত্ত সাহায্য ব্যৱস্থা, বান প্ৰৱণ এলেকাসমূহৰ কাষত স্থায়ী ট্ৰেনজিত শিবিৰৰ নিৰ্মাণ, বান আৰু ভূমিকম্পৰ দৰে প্ৰাকৃতিক দুৰ্যোগসমূহৰ কথা বিবেচনা কৰি প্ৰয়োজনীয় আন্তঃগাঁথনি নিৰ্মাণ আৰু ইয়াৰ উন্নতি সাধন। প্ৰাকৃতিক দুৰ্যোগৰ পৰা বিভিন্ন নিৰ্মাণ কাৰ্যক সুৰক্ষা দিয়াৰ বাবে নেচনেল বিল্ডিং কোড অৱ ইণ্ডিয়া, ২০০৫ ৰ ৰূপায়ণ। চৰকাৰী আৰু ব্যক্তিগত ভৱনসমূহৰ মান অটুট ৰখাৰ বাবে স্বতন্ত্ৰ নিৰীক্ষণ গোট স্থাপন। চাহ বাগানৰ উদ্বৃত্ত ভূমিত চাহ শ্ৰমিকসকলৰ বাবে গ্ৰাম্য গৃহ নিৰ্মাণৰ কাম হাতত লোৱা হ'ব।

**বিদ্যুৎ আৰু নবীকৰণযোগ্য শক্তি ঃ**

মোৰ চৰকাৰে ৰাজ্যখনৰ সকলো পৰিয়াললৈ সময় নিৰ্ধাৰিতভাৱে বিদ্যুৎ যোগান ব্যৱস্থাত অগ্ৰাধিকাৰ দিব। অসমক এখন বিদ্যুতৰাহি ৰাজ্য হিচাপে গঢ়ি তোলা, অদক্ষ বিদ্যুৎ বিতৰণ নেটৱৰ্কৰ পৰিপ্ৰেক্ষিতত বিদ্যুৎ ক্ষতিৰ হ্ৰাসকৰণ। বাৰ্ষিক বিদ্যুৎ বাজেট প্ৰস্তুতকৰণ, যিখনে বিদ্যুতৰ ব্যৱহাৰ আৰু উৎপাদন/ ক্ৰয় বিশ্লেষণ কৰাৰ ক্ষেত্ৰত ৰাজ্যখনক সহায়

কৰিব। সৌৰশক্তি, জলশক্তি আৰু বায়ুশক্তিৰ দৰে নৱীকৰণযুক্ত শক্তি উৎপাদনত গুৰুত্ব প্ৰদান, বিদ্যুতৰ হিচাপ পৰীক্ষণৰ ধাৰণা আৰু পৰ্যায়ক্ৰমে ইয়াৰ ৰূপায়ণ, পেট্ৰ'লিয়াম আৰু শক্তি অধ্যয়নৰ বাবে এখন বিশ্ববিদ্যালয় স্থাপন।

মোৰ চৰকাৰে ধ্বজাবাহী আঁচনি দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনাৰ উপৰি এলানি পদক্ষেপ হাতত ল'ব। গুৱাহাটী মহানগৰত এক স্মাৰ্ট গ্ৰীড পাইলট প্ৰকল্প ৰূপায়ণ কৰা হ'ব। পুনৰ গঠিত দ্ৰুতশক্তি উন্নয়ন আৰু সংস্কাৰ কাৰ্যসূচী তথা তদাৰকী নিয়ন্ত্ৰণ আৰু তথ্য সংগ্ৰহ ব্যৱস্থাই বিদ্যুৎ আন্তঃগাঁথনিক উন্নীত কৰিব। কিছুমান গাঁও ইমানেই আওহতীয়া যে গ্ৰীড সম্প্ৰসাৰণৰ জৰিয়তে সেইবোৰ গাঁৱত বিদ্যুৎ যোগান ধৰিব পৰা নাযায়। এই কথা বিবেচনা কৰি দূৰৱৰ্ত্তী আৰু দুৰ্গম এলেকাসমূহত সৌৰ গৃহ আলোকীকৰণ ব্যৱস্থা, ষ্টেণ্ডল'ন মাইক্ৰ'গ্ৰীড এছ পি ভি প্লান্ট (Standlone Micro-Grid SPV Plant) আৰু গাঁৱৰ ৰাইজৰ মাজত সৌৰ চাকি বিতৰণসহ ছ'লাৰ চেণ্ট্ৰেল চাৰ্জিং ষ্টেশ্যন (Solar Central Charging Station) স্থাপন কৰা হ'ব। দূৰণিবটীয়া আৰু আওহতীয়া ঠাইসমূহত সৌৰ পানীপাম্প স্থাপন কৰা হ'ব।

**খনি আৰু খনিজ সম্পদ ঃ**

ৰাজহ সৃষ্টিকাৰী এই খণ্ডটোৰ বাবে মোৰ চৰকাৰৰ লক্ষ্য হ'ব—ৰাজ্যখনৰ বাবে খনিজ সম্পদ আধাৰিত এখন স্বতন্ত্ৰ ঔদ্যোগিক নীতি ৰূপায়ণ; খনন প্ৰকল্পসমূহত স্থানীয় লোকৰ বাবে নিয়োগৰ সুযোগ প্ৰদান; খনন কাৰ্য চলা অঞ্চলসমূহত পাৰিপাৰ্শ্বিক বিষয়বোৰ মূল্যাংকন কৰিবলৈ এখন স্বতন্ত্ৰ পৰ্যবেক্ষণ সমিতি গঠন; খনিজ সম্পদৰ নিয়মীয়া হিচাপ পৰীক্ষা কৰা আদি।

**পৰ্যটন ঃ**

পৰ্যটনৰ সকলোবোৰ উল্লেখযোগ্য খণ্ডত মোৰ চৰকাৰৰ ভৱিষ্যত পৰিকল্পনাত অন্তৰ্ভুক্ত বিষয়সমূহ হ'ল ঃ ৰাজ্যখনত পৰ্যটনৰ প্ৰসাৰৰ বাবে এক 'ব্ৰেণ্ড আছাম' গঢ়ি তোলা; ৰাজ্যৰ পৰ্যটন ব্যৱস্থাৰ উন্নয়ন সাধনৰ উদ্দেশ্যে ভূটান, ম্যানমাৰ, থাইলেণ্ড আদি চুবুৰীয়া দেশৰ সৈতে নিকট সম্বন্ধ গঢ়ি তোলা; ব্ৰেণ্ড এম্বেচেডৰ নিয়োজিত কৰা; ব্যক্তিগতখণ্ডক বহুলভাৱে জড়িত কৰি আৰু থলুৱা লোকৰ সক্ৰিয় সহযোগিতাৰে এখন পৰ্যটন নীতি গ্ৰহণ কৰা; মাননীয় প্ৰধান মন্ত্ৰীৰ **'এক্ট ইষ্ট পলিচী'**ক আগবঢ়াই লৈ যোৱা; গুৱাহাটীক স্বাস্থ্য পৰ্যটনৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলা; ৰাজ্যখনৰ বিভিন্ন স্থানৰ লগতে দেশৰ অন্যান্য অঞ্চলত পৰ্যটক তথ্য বিপণী আৰু একক খিৰিকী পৰ্যটন সেৱা কেন্দ্ৰ স্থাপন কৰা।

আন পৰিকল্পনাসমূহ ঃ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, মাজুলী নদী দ্বীপ, কামাখ্যা মন্দিৰ আৰু অম্বুবাচী মেলাৰ দৰে অনুষ্ঠানবোৰক জনপ্ৰিয় কৰি তোলা; ৰঙালী বিহু আৰু ভোগালী বিহুৰ উদ্‌যাপনক 'ব্ৰেণ্ড আছাম'ৰ অভিন্ন অংগ কৰা। পৰ্যটকসকলৰ নৈশ যাপনৰ সুবিধা হোৱাকৈ ৰাজ্যজুৰি ব্যয়সাধ্য থকা-খোৱাৰ সেৱা আগবঢ়োৱা। পৰ্যটকসকলৰ থকা-খোৱাৰ সেৱা ৰাজ্যজুৰি উপলব্ধ কৰোৱাৰ বাবে স্থানীয় লোক আৰু সমূহীয়া গোটসমূহক জড়িত কৰাৰ বিষয়টো জনপ্ৰিয় কৰি তোলা। অতি কমেও এটা বিদেশী ভাষা জ্ঞানেৰে টুৰিষ্ট গাইড হিচাপে কাম কৰাৰ বাবে স্থানীয় যুৱকসকলৰ বাবে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।

**বৰাক উপত্যকাৰ উন্নয়ন ঃ**

ৰাজ্যখনৰ সকলো অঞ্চলৰে সম উন্নয়নৰ বাবে মোৰ চৰকাৰে প্ৰয়োজনীয় গুৰুত্ব প্ৰদান কৰিব। বৰাক উপত্যকাৰ বাবে এই ভৱিষ্যৎ পৰিকল্পনাৰ ভিতৰত আছে— বৰাক উপত্যকাৰ সৈতে অসমৰ আন ঠাই আৰু মিজোৰাম, মণিপুৰ, মেঘালয় আৰু ত্ৰিপুৰাৰ দৰে চুবুৰীয়া ৰাজ্যৰ সৈতে সকলো বতৰৰ উপযোগী পথ যোগাযোগ উন্নত কৰি সুচল যোগাযোগ ব্যৱস্থা গঢ়ি তোলা; শিলচৰৰ পৰা গুৱাহাটীলৈকে ইষ্ট-ৱেষ্ট কৰিডৰ (মহাচড়ক) সম্পূৰ্ণ কৰা; যোগাযোগ ব্যৱস্থা অধিক সুচল কৰাৰ বাবে বৰাক নদীৰ ওপৰত অধিক সংখ্যক দলং নিৰ্মাণ কৰা; প্ৰধানকৈ লখিমপুৰৰ পৰা কৰিমগঞ্জ আৰু তাৰ পৰা বাংলাদেশ হৈ কলিকতালৈকে বৰাক নদীৰে বাণিজ্যিক নৌ পৰিবহণৰ সম্ভাৱনীয়তাত গুৰুত্ব প্ৰদান; কাছাৰ কেঞ্চাৰ হস্পিতাল এণ্ড ৰিৰ্ছাচ চেণ্টাৰৰ সামৰ্থ্য বৃদ্ধি কৰা; ভাৰত-বাংলাদেশ সীমান্ত ছীল কৰাৰ কাম সম্পূৰ্ণ কৰা ইত্যাদি।

**তথ্য প্ৰযুক্তি ঃ**

ৰাজ্যখনৰ উন্নয়নৰ বাবে তথ্য প্ৰযুক্তিৰ বহুল ব্যৱহাৰৰ ওপৰত মাননীয় প্ৰধান মন্ত্ৰীয়ে আৰোপ কৰা গুৰুত্বৰ লগত সংগতি ৰাখি তথ্য প্ৰযুক্তিৰ ক্ষেত্ৰত মোৰ চৰকাৰৰ লক্ষ্য হ'ল ঃ সকলো প্ৰধান নগৰত অত্যাধুনিক সা-সুবিধাৰে তথ্য প্ৰযুক্তি উদ্যান (আই টি পাৰ্কছ)ৰ উন্নয়ন সাধন; শিলচৰ, গুৱাহাটী আৰু ডিব্ৰুগড়ক তথ্য প্ৰযুক্তিৰ হাব ৰূপে গঢ়ি তোলা; কম্পিউটাৰত স্থানীয় ভাষাৰ ব্যৱহাৰ বৃদ্ধিৰ পৃষ্ঠপোষকতা; ৰাজ্যখনলৈ আই টি আৰু আই টি ই এছ খণ্ডৰ প্ৰতিষ্ঠানসমূহক আকৰ্ষিত কৰিবৰ বাবে এক বিশেষ আঁচনি আৰম্ভ কৰা।

**শিক্ষা ঃ**

মোৰ চৰকাৰৰ শিক্ষাৰ ক্ষেত্ৰত লক্ষ্য হ'ল ঃ ৰাজ্যখনত উপযুক্ত সংখ্যক বিদ্যালয়, অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু পলিটেকনিক স্থাপন কৰা; বৰ্তমান বিশ্বৰ প্ৰতিযোগিতামূলক পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী বিশ্ববিদ্যালয়, কটন কলেজ ৰাজ্যিক বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দৰে ৰাজ্যৰ আগশাৰীৰ শিক্ষানুষ্ঠানসমূহ নতুনকৈ গঢ় দিয়াৰ সম্ভাৱনীয়তাৰ ওপৰত গুৰুত্ব প্ৰদান; অসমৰ উচ্চ শিক্ষানুষ্ঠান আৰু বিশ্ববিদ্যালয়সমূহৰ আধৰুৱা হৈ থকা আন্তঃগাঁথনিৰ কাম দ্ৰুতভাৱে সম্পন্ন কৰা; শেহতীয়া বৃত্তিসমূহৰ প্ৰশিক্ষণৰ বাবে অধিকসংখ্যক আই টি আই স্থাপন কৰা।

ইয়াৰ উপৰি পশু চিকিৎসা, পশু আৰু মৎস্য বিজ্ঞানৰ এখন বিশ্ববিদ্যালয় স্থাপনো এই লক্ষ্যত সামৰি লোৱা হৈছে। প্ৰধান মন্ত্ৰী স্বাস্থ্য সুৰক্ষা যোজনাৰ অধীনত অল ইণ্ডিয়া ইনষ্টিটিউট অব মেডিকেল ছায়েন্স আৰু আন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰক সহায় কৰা ৰাজ্যখনত মেনেজমেণ্ট মহাবিদ্যালয় স্থাপন, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ অপৰিহাৰ্য অংশ হিচাপে কাৰিকৰী আৰু বৃত্তিগত পাঠ্যক্ৰমৰ অন্তৰ্ভূক্তি, দক্ষতা বিকাশক এই পাঠ্যক্ৰমৰ বাধ্যবাধকতা হিচাপে গ্ৰহণ, শিক্ষা আৰু নিয়োজন যোগ্যতাৰ ব্যৱধান হ্ৰাস কৰাৰ অৰ্থে উদ্যোগ-প্ৰতিষ্ঠান সম্বন্ধৰ বিকাশ সাধন, জৈৱ প্ৰযুক্তিৰ বাবে গৱেষণা আৰু উন্নয়ন প্ৰতিষ্ঠান আৰু বিজ্ঞান উদ্যান, খাদ্যপ্ৰযুক্তি, ক্ষুদ্ৰ প্ৰযুক্তি, উদ্যান শস্য, ৰেচম, মীন পালন ইত্যাদিৰ উন্নয়ন আৰু বিকাশ, সকলো বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম আৰু আন্তঃগাঁথনি নিয়মিতভাৱে পৰ্যালোচনা আৰু উন্নীতকৰণৰ অৰ্থে এখন নিৰীক্ষণ সমিতি গঠন।

মোৰ চৰকাৰে হাতত লোৱা কেতবোৰ ভৱিষ্যত পৰিকল্পনা হ'ল বিদ্যালয়সমূহত বাধ্যতামূলক নামভৰ্তি সুনিশ্চিত কৰণ তথা আধাতে বিদ্যালয় এৰাটো ৰোধ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ, ৰাজ্য চৰকাৰৰ অধীনত দশম শ্ৰেণীৰ পৰা বিশ্ববিদ্যালয় পৰ্যায়ৰ ছাত্ৰীৰ মাচুল উঠাই দিয়াৰ ব্যৱস্থা কৰিব।

ইয়াৰ উপৰি প্ৰত্যেক বছৰে অষ্টম শ্ৰেণী পৰ্য্যায়ৰ বহুসংখ্যক মেধাৱী ছাত্ৰ-ছাত্ৰীক চিনাক্ত কৰা হ'ব আৰু তেওঁলোকৰ অধ্যয়ন সম্পূৰ্ণ কৰিবলৈ বিত্তীয় সাহায্য দিয়া হ'ব যাতে আই এ এছ (IAS), আই পি এচ, আই এফ এছ, আই আই টি, আই আই এম ইত্যাদিৰ লেখীয়া দেশৰ আটাইতকৈ কঠিন পৰীক্ষাবোৰত অৱতীৰ্ণ হ'বলৈ অসমে মানৱ সম্পদৰ এক ভঁৰাল গঢ় দিব পাৰে।

ছাত্ৰীসকলৰ দক্ষতা বৃদ্ধি কৰিবলৈ অসমৰ ভিতৰুৱা ঠাইবোৰত বৃত্তিমুখী প্ৰতিষ্ঠান স্থাপন কৰা হ'ব। অসমত এখন আই আই এম স্থাপন কৰা হ'ব আৰু পাৰ্বত্য অঞ্চলত এখন পূৰ্ণ পৰ্য্যায়ৰ ৰাজ্যিক বিশ্ববিদ্যালয় স্থাপন বিষয়টো পৰীক্ষা কৰি চোৱা হ'ব।

অসম মাধ্যমিক শিক্ষা পৰিষদৰ (SEBA) অধ্যক্ষ নিযুক্তি প্ৰক্ৰিয়াকে ধৰি পৰিষদক পুনৰুজ্জীৱিতকৰণৰ প্ৰতি অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব। সংশ্লিষ্ট সকলো পক্ষৰ সৈতে আলোচনা কৰি শ্ৰীনাথ বৰুৱা সমিতিৰ অনুমোদনাৱলী বিবেচনা কৰা হ'ব। হাইস্কুল শিক্ষান্ত পৰীক্ষাত এক বলিষ্ঠ ত্ৰুটীমুক্ত ব্যৱস্থা নিশ্চিত কৰা হ'ব।

সংশ্লিষ্ট সকলো পক্ষৰ সৈতে আলোচনা কৰি কটন মহাবিদ্যালয় ৰাজ্যিক বিশ্ববিদ্যালয়ৰ সাম্প্ৰতিক বিষয়সমূহ সমাধা কৰা হ'ব।

মোৰ চৰকাৰে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ নিয়মীয়া খালী পদসমূহ পূৰণৰ বাবে সকলোধৰণৰ প্ৰয়োজনীয় পদক্ষেপ আৰম্ভ কৰিব। ৬ বছৰৰ পৰা ১৪ বছৰৰ বয়স গোটৰ সকলো শিশুৰ বাধ্যতামূলক নামভৰ্তিৰ লগতে আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ হাৰ শূন্য পৰ্য্যায়লৈ অনাটো নিশ্চিত কৰাৰ ক্ষেত্ৰত প্ৰচেষ্টা চলোৱা হ'ব। মোৰ চৰকাৰে বিভিন্ন প্ৰাথমিক বিদ্যালয়ত কাম কৰি থকা টেট উত্তীৰ্ণ ঠিকাভিত্তিক শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণৰ সম্ভাৱনীয়তা পৰীক্ষা কৰি চাব। ইয়াৰ উপৰি ইতিমধ্যে টেট পৰীক্ষাত উত্তীৰ্ণ হোৱা অনুসূচিত জাতি/অনুসূচিত জনজাতিৰ প্ৰাৰ্থীসকলক নিযুক্তি দিবলৈ লোৱা পদক্ষেপসমূহ পৰীক্ষা কৰি চোৱা হ'ব। মোৰ চৰকাৰে ভেন্সাৰ প্ৰাথমিক বিদ্যালয় সমূহৰ প্ৰাদেশিকীকৰণৰ প্ৰক্ৰিয়া পুনৰ আৰম্ভ কৰাৰ সম্ভাৱনীয়তাসমূহ পৰীক্ষা কৰি চাব। শিক্ষামিত্ৰ, শিক্ষাকৰ্মী আৰু অন্যান্যসকলৰ অভাৱ-অভিযোগ দূৰীকৰণৰ বাবে সকলো প্ৰচেষ্টা হাতত ল'ব। প্ৰাথমিক শিক্ষা শক্তিশালী কৰাৰ অৰ্থে মোৰ চৰকাৰে প্ৰাথমিক বিদ্যালয়সমূহত প্ৰাক্ প্ৰাথমিক শ্ৰেণী আৰম্ভ কৰাৰ বাবে সকলো দিশ পৰীক্ষা কৰি চাব।

**স্বাস্থ্য সেৱা ঃ**

মোৰ চৰকাৰৰ এটা গুৰুত্বপূৰ্ণ খণ্ড হ'ল স্বাস্থ্য খণ্ড। ইতিমধ্যে বহুতো উন্নয়ন হোৱা সত্বেও ৰাজ্যখনৰ স্বাস্থ্য সূচক উন্নতি সাধনৰ বাবে আৰু বহু কৰিবলগীয়া আছে। স্বাস্থ্য খণ্ড ৰাজ্যখনে আজি বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আহিছে ঃ আমাৰ ৰাজ্যত এতিয়াও চিকিৎসক, নাৰ্ছ আৰু পাৰা মেডিকেল কৰ্মীৰ অভাৱ বিদ্যমান। যদিও চিকিৎসা মহাবিদ্যালয়সমূহ আৰু আন চিকিৎসালয়সমূহ উন্নীত কৰাৰ বাবে প্ৰচেষ্টা

অব্যাহত আছে, তথাপি আন্তঃগাঁথনি আৰু অন্যান্য অসুবিধাও আছে, বিশেষকৈ তৃতীয় পৰ্যায়ৰ চিকিৎসা খণ্ডত। প্ৰায়বোৰ গুৰুতৰ ৰোগৰ ক্ষেত্ৰত আমাৰ ৰোগীসকলে অসমৰ বাহিৰলৈ চিকিৎসা কৰাবলৈ যায় ফলত সাধাৰণ লোকসকলে অধিক পৰিমাণতকৈ অধিক ধন ব্যয় কৰিবলগীয়া হৈ আহিছে। আমি এক নতুন যাত্ৰাৰে আগুৰাই যাবলৈ লৈছো। এই খণ্ডটোৰ প্ৰতি আমাৰ এক স্পষ্ট পৰিকল্পনা আছে।

**ভৱিষ্যৎ পৰিকল্পনা ঃ** স্বাস্থ্য সেৱা ক্ষেত্ৰত মোৰ চৰকাৰৰ লক্ষ্য হ'ল আয়ৰ স্তৰ, সামাজিক মৰ্য্যদা, লিংগ, জাতি আৰু ধৰ্ম নিৰ্বিশেষে ৰাজ্যখনৰ সকলো নাগৰিকক ব্যয়সাধ্য, দায়বদ্ধ আৰু সঠিক স্বাস্থ্য সেৱা সকলো নাগৰিকলৈ সমানে নিশ্চিত কৰা। এই অভিলাষী লক্ষ্য প্ৰাপ্তিৰ বাবে মোৰ চৰকাৰে সমসাময়িক আৰু জনসাধাৰণৰ আশা-আকাংক্ষাৰ ওচৰত দায়বদ্ধ নতুন প্ৰশাসন আৰু প্ৰতিষ্ঠানিক ব্যৱস্থা সূচনা কৰাৰ বাবে পৰিকল্পনা কৰিছে।

**প্ৰাথমিক আৰু আনুষংগিক স্বাস্থ্যৰ যতন ঃ** প্ৰাথমিক আৰু আনুষংগিক স্বাস্থ্য সেৱা শক্তিশালী কৰাটো মোৰ চৰকাৰৰ এটি অন্যতম গুৰুত্বপূৰ্ণ কাম। ৰাজ্যখনত আমাৰ প্ৰায় ৭০০০ উপকেন্দ্ৰ আৰু ১২০০ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ প্ৰয়োজন। এইক্ষেত্ৰত বৃহৎ ব্যৱধান আছে। এই ব্যৱধানসমূহ দূৰ কৰিবলৈ আমি পৰিকল্পনা হাতত ল'ম। একেদৰে আনুষাংগিক স্বাস্থ্য সেৱা খণ্ডতো উপযুক্ত সা-সুবিধাৰ অভাৱ পৰিলক্ষিত হয়। মোৰ চৰকাৰে জিলা হস্পিতাল আৰু সামূহিক স্বাস্থ্য কেন্দ্ৰসমূহক উপযুক্ত ধৰণে সু-সজ্জিত কৰি তুলিবলৈ পৰিকল্পনা হাতত ল'ব। মোৰ চৰকাৰে প্ৰতিটো মহকুমাতে ২৪ ঘণ্টাই সেৱা আগবঢ়াব পৰাকৈ আৰু অধিক অত্যাধুনিক চিকিৎসালয় স্থাপন কৰিবলৈ প্ৰয়াস কৰিব। একেদৰে চৰকাৰে প্ৰত্যেক

জিলা চিকিৎসালয়তে ৰোগীৰ বিচনাৰ সংখ্যা বৃদ্ধি কৰাৰ বাবে ব্যৱস্থা ল'ব। তদুপৰি তৃতীয় পক্ষক জড়িত কৰি স্বাস্থ্যৰ বাঞ্ছিত মান অক্ষুণ্ণ ৰখাৰ বাবে সকলো ৰাজহুৱা স্বাস্থ্য সেৱা কেন্দ্ৰত সময়ে সময়ে পৰীক্ষা কৰা হ'ব।

মোৰ চৰকাৰে সকলো স্বাস্থ্য সেৱা ভৱন সম্পূৰ্ণ কৰিবলৈ প্ৰচেষ্টা হাতত ল'ব। এই ক্ষেত্ৰত ভাৰত চৰকাৰৰ প্ৰচলিত আঁচনিসমূহ সম্পূৰ্ণ ৰূপায়ণৰ বাবে সাধ্য অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিব। স্বাস্থ্যৰ ক্ষেত্ৰতো মানৱ সম্পদৰ উল্লেখযোগ্য ব্যৱধান পৰিলক্ষিত হয়। বৰ্তমানৰ ৰাজ্যখনৰ জনসংখ্যাৰ পৰিপ্ৰেক্ষিতত মুঠ আই পি এইচ এছ নিয়মযুক্ত ৭০০০গৰাকী এল'পৈথিক চিকিৎসকৰ বিপৰীতে ৰাজ্যখনত কেৱল ৩২০০গৰাকী চিকিৎসকহে আছে। সেইদৰে আৱশ্যকীয় ২৫০০০গৰাকী নাৰ্চৰ বিপৰীতে আমাৰ কেৱল ১৭০০০গৰাকী নাৰ্চহে আছে। আমাৰ চৰকাৰে এই ব্যৱধান হ্ৰাস কৰাৰ বাবে পৰ্যায়ক্ৰমে বিভিন্ন পন্থা হাতত ল'ব। উদাহৰণস্বৰূপে সকলো পৰ্যায়ৰ চিকিৎসক, নাৰ্চ আৰু পেৰামেডিকছসকলৰ কাৰণে সঠিক ডাটাবেছ পদ্ধতি আৰম্ভ কৰা নিয়মানুৱৰ্তিতা আৰু দক্ষতা অনুসৰি তেওঁলোকক যুক্তিযুক্ত পদ্ধতিৰে নিয়োজিত কৰা হ'ব। ৰাজ্যখনত চিকিৎসকৰ সংখ্যা বৃদ্ধি কৰিবলৈ বৰ্তমানৰ চিকিৎসা মহাবিদ্যালয় কেইখনৰ ক্ষমতাবৃদ্ধিৰ লগতে আৰু অধিক চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হ'ব। মোৰ চৰকাৰে উপযুক্ত বেতন গাঁথনিৰে বিশেষজ্ঞ চিকিৎসকৰ কেডাৰ সৃষ্টি কৰাৰ লগতে আকৰ্ষণ আৰু প্ৰতিভা বৰ্তাই ৰখাৰ বাবে পাৰ্শ্বীয় কেডাৰসকলকো ইয়াত অন্তৰ্ভুক্ত কৰিব।

**নাৰ্চিং আৰু পেৰা মেডিক্স ঃ** মোৰ চৰকাৰে নাৰ্ছ, যন্ত্ৰ কৌশলী লোক আৰু অৰ্ধ চিকিৎসা কৰ্মী প্ৰশিক্ষণৰ বাবে অধিক প্ৰতিষ্ঠান নিৰ্মাণৰ ব্যৱস্থা

ল'ব। বিধি-ব্যৱস্থা আৰু নাৰ্চিং শিক্ষাৰ মান ব্যৱস্থাপনাৰ উন্নীত কৰাৰ বাবে নাৰ্চিং প্ৰশাসন ব্যৱস্থা শক্তিশালী কৰাৰ বাবে ব্যৱস্থা লোৱা হ'ব। একেদৰে মোৰ চৰকাৰে ৰেডিঅ'গ্ৰাফাৰ, লেব'ৰেটৰী টেকনিচিয়ান, ফিজিঅ' থেৰাপিষ্ট, ফাৰমাচিষ্ট, অপটোমেট্ৰিষ্ট ইত্যাদিৰ লেখিয়া একেজাতীয় কাৰিকৰী দক্ষতাসম্পন্ন লোকৰ বাবে পৰিকল্পিত সম্প্ৰসাৰণ ব্যৱস্থা ল'ব। মোৰ চৰকাৰে অৰ্ধ চিকিৎসা কৰ্মীৰ সেৱা বিভিন্ন দিশৰ দক্ষতাৰে বহুমুখী দক্ষতা বিকাশৰ বাবে প্ৰয়াস কৰিব যাতে এইসকল লোকে পাৰ্শ্বৱৰ্তী চিকিৎসালয়ত নিযুক্ত হয় তেওঁলোকে যাতে অধিক দক্ষতাৰে সেৱা আগবঢ়াব পাৰে।

**গ্ৰামাঞ্চলৰ প্ৰয়োজনীয়তা ঃ** অনগ্ৰসৰ গ্ৰামাঞ্চলসমূহৰ প্ৰয়োজনীয়তাখিনি পূৰণ কৰা অৰ্থে বিত্তীয় আৰু অনা-বিত্তীয় উদ্‌গনি প্ৰদানৰ বাবে পদক্ষেপ হাতত লোৱা হ'ব। এই অনা-বিত্তীয় উদগনিসমূহে সামৰি ল'বগীয়া বিষয় হ'ল- গ্ৰাম্যাঞ্চলত নিযুক্তিৰ ওপৰত গুৰুত্ব প্ৰদান কৰি নিকা আৰু স্বচ্ছ কেৰিয়াৰ বিকাশ নিৰ্দেশাৱলীসহ সময়ে সময়ে গ্ৰামাঞ্চলত লাভ কৰা নিযুক্তি।

**প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য ঃ** প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য মোৰ চৰকাৰৰ বাবে এতিয়াও এক উচ্চ অগ্ৰাধিকাৰ বিষয়। যদিও অতীতত বহু পদক্ষেপ লোৱা হৈছে আকাংক্ষিত ফলাফল পাবলৈ বাকী আছে। মোৰ চৰকাৰে প্ৰসূতি মৃত্যুৰ হাৰ আৰু নৱজাতকৰ মৃত্যুৰ হাৰ কমোৱাত উচ্চ অগ্ৰাধিকাৰ দিব। তেনেদৰে সাৰ্বজনীন প্ৰতিষেধক আঁচনিৰ অধীনত ১০০% লোকক সামৰি শিশু আৰু কিশোৰ-কিশোৰীৰ স্বাস্থ্যও হ'ব অন্য এক অগ্ৰাধিকাৰৰ বিষয়।

**কৰ্কট ৰোগৰ চিকিৎসা ঃ** দেশৰ অন্য প্ৰান্তৰ তুলনাত উত্তৰ পূৰ্বাঞ্চলত কৰ্কট ৰোগত আক্ৰান্ত ৰোগীৰ সংখ্যা সৰ্বাধিক। পি ই টি-চি টি (PET-CT) স্কেন মেচিন, লিনিয়াৰ এচিলেটৰ (Linear Accelerator), চাইক্লোট্ৰ'ন (Cyclotron) আৰু কোবেল্ট ৬০ যন্ত্ৰৰ সা-সুবিধাৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিতালত ২০০ খন বিছনাযুক্ত কেন্সাৰ হস্পিতাল এখন স্থাপন কৰি থকা হৈছে। মোৰ চৰকাৰে এইখন গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানক যিমানপাৰি সোনকালে কাৰ্য্যক্ষম কৰি তুলিবলৈ পদক্ষেপ গ্ৰহণ কৰিব। চৰকাৰে ৰাজ্যখনত আৰু অধিক কৰ্কট ৰোগৰ হস্পিতাল স্থাপনৰ বাবে পদক্ষেপ ল'ব। উল্লেখ্য যে ভাৰত চৰকাৰৰ আনবিক শক্তি বিভাগে গুৱাহাটীস্থিত ডা° বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানক উত্তৰ পূৰ্বাঞ্চলৰ বাবে কৰ্কট ৰোগৰ চিকিৎসা, শিক্ষা আৰু গৱেষণাৰ এক উৎকৰ্ষ কেন্দ্ৰ হিচাবে উন্নীত কৰণৰ বিষয়টো বিবেচনা কৰি আছে। এই পদক্ষেপে উত্তৰ পূৰ্বাঞ্চলৰ জনসাধাৰণক বাৰুকৈয়ে সহায় কৰিব।

**নতুন এইম্‌ছ ঃ** কামৰূপ জিলাৰ চাংসাৰিত এইম্‌ছ স্থাপনৰ বাবে ভাৰত চৰকাৰে লোৱা সিদ্ধান্ত এক আদৰণীয় সিদ্ধান্ত। ইয়াৰ আধাৰশিলা অলপতে স্থাপন কৰা হৈছে। নিৰ্ধাৰিত সময়সীমাৰ ভিতৰতে যাতে ইয়াৰ কাম সম্পূৰ্ণ হয় তাৰ বাবে মোৰ চৰকাৰে নিৰ্মাণ কাৰ্য আৰু অন্যান্য বিষয়ৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ লগত সমন্বয় ৰক্ষা কৰাৰ বাবে পদক্ষেপ ল'ব।

**বিনামূলীয়া ঔষধ আৰু ৰোগ নিৰ্ণয় ঃ** মোৰ চৰকাৰে বিনামূলীয়া ঔষধ আৰু ৰোগ নিৰ্ণয়ৰ উন্নত তথা বহুল ক্ষেত্ৰখন সকলোৰে বাবে উপলব্ধ কৰাৰ বাবে কঠোৰ প্ৰচেষ্টা হাতত ল'ব। বহুতো নতুন উদ্যোগ এই দিশত গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। ৰাজ্যখনৰ বাবে প্ৰয়োজনীয় সকলো ধৰণৰ

ঔষধ আৰু আনুসংগিক সামগ্ৰী কেন্দ্ৰীয়, স্বচ্ছ আৰু কম খৰছত আহৰণ কৰাৰ বাবে অলপতে অসম চিকিৎসা সেৱা নিগম পৰিসীমাত নামেৰে এটা নতুন নিগম স্থাপন কৰা হৈছে। ৰাজ্যৰ অন্যান্য নিগমৰ লেখীয়াকৈ যাতে ই সোনকালে কাম-কাজ আৰম্ভ কৰিব পাৰে তাৰবাবে মোৰ চৰকাৰে সকলোবোৰ বিধিসন্মত আনুষ্ঠানিকতা সম্পূৰ্ণ কৰিব। তদুপৰি সকলো আৰ্থিকভাৱে পিছপৰা লোকক স্বাস্থ্য বীমা প্ৰদানৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ব।

**বাহকজনিত ৰোগ ঃ** আমাৰ ৰাজ্যখন মেলেৰীয়া, ডেংগু, জাপানীজ এনকেফেলাইটিছ ইত্যাদিৰ লেখীয়া বাহকজনিত ৰোগৰ দ্বাৰা সংক্ৰমিত ৰোগপ্ৰৱণ ৰাজ্য, মোৰ চৰকাৰে তীক্ষ্ণ দৃষ্টিৰে এনে ৰোগপ্ৰৱণ অঞ্চলৰ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি আৰু পৰ্যাপ্ত ঔষধৰ ব্যৱস্থা আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰীৰে এনেবোৰ ৰোগৰ বিৰুদ্ধে সফলতাৰে যুঁজ দিয়াত অত্যাধিক গুৰুত্ব দিব।

**'আয়ুস'ৰ সম্পূৰ্ণ সম্ভাৱনীয়তাৰ ব্যৱহাৰ ঃ** মোৰ চৰকাৰে আয়ুস পদ্ধতিৰ ঔষধৰ সম্পূৰ্ণ সম্ভাৱনীয় ব্যৱহাৰৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব যাতে সমগ্ৰ স্বাস্থ্য সেৱা প্ৰদান ব্যৱস্থা নিখুতভাৱে ব্যৱহৃত হয়।

**ৰোগ চিকিৎসা বিষয়ক প্ৰতিষ্ঠান আইন, ২০১০ কাৰ্যকৰীকৰণ (পঞ্জীয়ণ আৰু বিধি) ঃ** ৰোগ চিকিৎসা বিষয়ক প্ৰতিষ্ঠানৰ (পঞ্জীয়ন আৰু বিধি) আইন, ২০১০ (কেন্দ্ৰীয় আইন)ৰ অধীনত উন্নত আৰু একেধৰণৰ পদ্ধতিৰ বাবে ৰোগ চিকিৎসা বিষয়ক প্ৰতিষ্ঠানৰ পঞ্জীয়ন আৰু বিধি অতি সোনকালে প্ৰস্তুত কৰা হ'ব। ইয়াৰ ফলত ৰোগীসকল উপকৃত হ'ব।

স্বাস্থ্যযতন আৰু সেৱাৰ ক্ষেত্ৰত জৰুৰীকালীন আৰু দুৰ্যোগৰ প্ৰস্তুতিয়ে উৎকৃষ্টতাৰ মান সূচায়। ৰাজ্যখনৰ প্ৰতি চুকে কোনে ২৪ ঘণ্টাই উপলব্ধ হোৱাকৈ বৰ্তমানে থকা এম্বুলেঞ্চৰ সা-সুবিধা সুসজ্জিতভাৱে উন্নীত কৰা হ'ব।

**শ্ৰম আৰু নিয়োগ ঃ**

আমাৰ চৰকাৰে কঠোৰভাৱে 'মিনিমাম ওৱেজেচ এক্ট'খন কাৰ্যকৰীকৰণ কৰাত নিশ্চয়তা প্ৰদান কৰিব বিচাৰিছে। অসমৰ শ্ৰমিক শ্ৰেণীৰ বাবে জীৱনবীমা, স্বাস্থ্যবীমা আদি সামাজিক নিৰাপত্তাজনীত আঁচনিসমূহৰ পৰিসৰ বহুলভাৱে উদ্‌ঘাটন কৰিব বিচাৰিছে, ৰাজ্যখনৰ শ্ৰমিক শ্ৰেণীৰ মাজত নিয়মীয়া দক্ষতা বৃদ্ধি নিশ্চিত কৰিবলৈ এক ব্যৱস্থা গ্ৰহণ কৰিব, ৰাজ্যখনত 'ই পি এফ' বাধ্যতামূলক কৰাৰ সম্ভাৱনীয়তা সম্পৰ্কে দৃষ্টি ৰাখিব।

তদুপৰি, এই পৰিকল্পনাই খেতিয়ক আৰু প্ৰয়োজনীয় অৰ্হতাসম্পন্ন অসংগঠিত খণ্ডত নিয়োজিত ব্যক্তিসকলৰ বাবেও পেন্সন আঁচনি প্ৰৱৰ্তন কৰাৰ সম্ভাৱনীয়তা সম্পৰ্কে বিবেচনা কৰিব।

**ক্ৰীড়া আৰু যুৱ উন্নয়ন ঃ**

নৱ প্ৰজন্মৰ মাজত স্থানবিশেষে থকা পাৰদৰ্শিতাসমূহক উৎসাহিত কৰাৰ লগতে যুৱ প্ৰজন্মলৈ লাভযুক্ত নিয়োগৰ সা-সুবিধা উপলব্ধ কৰাৰ উদ্দেশ্যে মোৰ চৰকাৰে দক্ষতা উন্নয়নৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰিছে।

মোৰ চৰকাৰে অসমৰ যুৱ প্ৰজন্মৰ মাজত 'ক্ৰীড়াক জীৱনৰ এক পথ হিচাপে' উৎসাহিত কৰিবলৈ প্ৰচেষ্টা চলাব; আৰু নৱ প্ৰজন্মৰ মাজত থকা ক্ৰীড়া প্ৰতিভাক চিনাক্ত কৰি তেওঁলোকক সফল খেলুৱৈ হোৱাৰ

ক্ষেত্ৰত সহায় কৰিব, যাতে তেওঁলোকে ৰাজ্যিক, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়া প্ৰতিযোগিতাসমূহত যোগদান কৰি ৰাজ্য আৰু দেশখনলৈ গৌৰৱ কঢ়িয়াই আনিব পাৰে।

মোৰ চৰকাৰখনৰ লক্ষ্যসমূহ হৈছে ঃ ৰাজ্যখনৰ বিদ্যালয় তথা মহাবিদ্যালয়সমূহত পৰ্যায়ক্ৰমে ক্ৰীড়া আন্তঃগাঁথনিৰ সা-সুবিধাসমূহ উন্নত কৰা; যুৱ আৰু উদ্যমী ক্ৰীড়া প্ৰতিভাৰ বিকাশৰ বাবে পেছাদাৰী প্ৰশিক্ষক নিযুক্ত কৰা; উঠি অহাসকলৰ মাজৰ প্ৰতিভাৱানসকলক চিনাক্ত কৰিবলৈ এক বিশেষজ্ঞ দল গঠিত কৰা; দেশখনৰ আগশাৰীৰ টুৰ্ণামেণ্টসমূহত অংশগ্ৰহণ কৰিবলৈ খেলুৱৈসকলক উৎসাহিত কৰা; ৰাজ্যখনৰ প্ৰতিশ্ৰুতিসম্পন্ন নৱীন খেলুৱৈসকলৰ বাবে উন্নত প্ৰশিক্ষণৰ পৰিকল্পনা; পৰম্পৰাগত ক্ৰীড়াৰ প্ৰশিক্ষণ তথা টুৰ্ণামেণ্ট অনুষ্ঠিত কৰা; মহিলাসকলৰ মাজত ক্ৰীড়া আৰু শাৰীৰিক শিক্ষাৰ উন্নয়নৰ অৰ্থে উপযুক্ত আঁচনি যুগুত কৰা; ৰাজ্যৰ জনসাধাৰণৰ মাজত যোগাভ্যাসৰ প্ৰচাৰ আৰু জনপ্ৰিয়কৰণ।

মোৰ চৰকাৰে পৰ্যটন বিভাগৰ সহযোগত ভোগালী বিহুৰ দৰে পাৰম্পৰিক উৎসৱসমূহ ক্ৰীড়া ভিত্তিক পৰ্যটন কাৰ্যসূচী হিচাপে অনুষ্ঠিত কৰাৰ প্ৰয়াস কৰিব; ৰাজ্যিক বঁটা প্ৰদানেৰে খেলুৱৈসকললৈ স্বীকৃতি প্ৰদানৰ বাবে এক আঁচনি চূড়ান্ত কৰিব; চৰকাৰী চাকৰিৰ ক্ষেত্ৰত ক্ৰীড়া শিতানৰ সংৰক্ষণৰ দ্বাৰা খেলুৱৈসকললৈ নিয়োগৰ সুবিধা প্ৰদান কৰিব।

মোৰ চৰকাৰে ৰাজ্যিক ক্ৰীড়া নীতি, ২০১১ পুনৰীক্ষণ কৰিব আৰু ইয়াৰ চৰকাৰৰ নতুন লক্ষ্যৰ সৈতে সংযুক্ত কৰিব। বৰ্তমানে চলি থকা ক্ৰীড়া পেঞ্চন আঁচনিখনো পৰ্যালোচনা কৰা হ'ব। ১৭ অক্টোবৰত ৰাজ্যখনৰ এগৰাকী বৰেণ্য ক্ৰীড়া ব্যক্তিত্ব স্বৰ্গীয় ৰাধা গোবিন্দ বৰুৱাৰ

স্মৃতিত পালন কৰা ৰাজ্যিক ক্ৰীড়া দিৱসৰ উপৰি অভিৰুচি ক্ৰীড়া দিৱসো উদ্‌যাপন কৰা হ'ব। ৰাজ্যখনৰ যুৱ প্ৰজন্মক দুঃসাহসিক ক্ৰীড়াৰ ক্ষেত্ৰখনলৈ আকৰ্ষিত কৰাৰ উদ্দেশ্যে গুৱাহাটীস্থিত পৰ্বতাৰোহণ আৰু দুঃসাহসিকতাৰ উৎকৰ্ষতা কেন্দ্ৰৰ অধীনত দুঃসাহসিক ক্ৰীড়াকলাপ অনুষ্ঠিত কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। গাঁও পঞ্চায়ত পৰ্যায়ৰ পৰা ৰাজ্যিক পৰ্যায়লৈ ফুটবল প্ৰতিভাক আগবঢ়াই নিয়াৰ লগতে বৃহৎ সংখ্যক খেলুৱৈ তথা দৰ্শকক জড়িত কৰি ফুটবল খেলক প্ৰসাৰিত কৰিবলৈ মহকুমা, থূপ, মাণ্ডলিক আৰু ৰাজ্যিক পৰ্যায়ত 'মুখ্য মন্ত্ৰীৰ ফুটবল কাপ' প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। গুৱাহাটীত ২০১৭ চনত অনুষ্ঠিত হ'বলগীয়া ১৭ বছৰ অনুৰ্দ্ধৰ ফিফা বিশ্বকাপৰ লীগ খেললৈ লক্ষ্য ৰাখি সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথ্‌লেকিটকছ্ ষ্টেডিয়ামৰ গেলেৰীৰ ওপৰত ছাদ সম্প্ৰসাৰণৰ কাম সম্পূৰ্ণ কৰা হ'ব। ৰাজ্যখনৰ বিভিন্ন স্থানৰ পৰা গুৱাহাটীলৈ অহা এন চি চি বিষয়া তথা যুৱক-যুৱতীসকলৰ থকা-মেলাৰ প্ৰয়োজনীয়তা পূৰণৰ অৰ্থে পল্টনবজাৰত বহুমহলীয়া অট্টালিকা (এন চি চি আৰু যুৱ ভৱন) নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হ'ব।

**সামাজিক ন্যায় ঃ**

সমাজৰ দুৰ্বল শ্ৰেণীসমূহৰ কল্যাণমূলক প্ৰয়োজনীয়তাখিনি ব্যাপকভাৱে পূৰণ কৰাৰ অৰ্থে মোৰ চৰকাৰৰ ভৱিষ্যত পৰিকল্পনাসমূহ তলত উল্লেখ কৰা হ'ল ঃ

**জনজাতি কল্যাণ ঃ** বিভিন্ন জনজাতিসমূহৰ উন্নয়নৰ বাবে এক সু-সংগঠিত আৰু সময় নিৰ্ধাৰিত ফলাফলমুখী পৰিকল্পনা চিনাক্তকৰণ। শিক্ষা, বৃত্তিগত প্ৰশিক্ষণ আৰু ঔদ্যোগিক দক্ষতা বিকাশত পাৰদৰ্শী

ৰাজ্যখনৰ প্ৰতিভাবান জনজাতীয় যুৱক-যুৱতী চিনাক্তকৰণ। ৰাজ্যখনৰ বিভিন্ন জনজাতিসকললৈ স্বীকৃতি প্ৰদান আৰু তেওঁলোকৰ উন্নয়নৰ বাবে সা-সুবিধা প্ৰদান।

অসমৰ বৰ্তমানে থকা অনুসূচিত জনজাতিসমূহৰ বাবে থকা ব্যৱস্থাৱলীসমূহ যাতে প্ৰভাৱিত নহয় সেয়া সুনিশ্চিত কৰি অসমৰ ছয় জনগোষ্ঠীলৈ অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সৈতে যোগাযোগ কৰা।

জনজাতীয় স্বায়ত্তশাসিত পৰিষদসমূহ শক্তিশালীকৰণ আৰু জনসংখ্যা অনুসৰি পুঁজি বিতৰণৰ পৰিসৰ পৰীক্ষণ আৰু এই পৰিষদসমূহৰ সচিবালয় নিৰ্মাণৰ বাবে এককালীন মঞ্জুৰী প্ৰদান। কেন্দ্ৰীয় চৰকাৰৰ সহযোগত বি টি চিলৈ মঞ্জুৰী প্ৰদান। উন্নয়নমূলক কাম-কাজ ৰূপায়ণত উত্তৰ কাছাৰ পাৰ্বত্য জিলা পৰিষদ আৰু কাৰ্বি আংলং জিলা পৰিষদক সাহায্য প্ৰদান।

**ধৰ্মীয় সংখ্যালঘু কল্যাণ ঃ** গৰিয়া, মৰিয়া, দেশী, জালোৱাহ**,** মাইমল আৰু অন্যান্য খিলঞ্জীয়া অসমীয়া মুছলমানসকলোকে ধৰি প্ৰকৃত ভাৰতীয় মুছলমানসকলৰ আৰ্থ-সামাজিক তথা ৰাজনৈতিক পৰিচয়ৰ প্ৰতি সুৰক্ষা প্ৰদান। তেওঁলোকৰ পৰিচয়, ভাষা আৰু সংস্কৃতিৰ ওপৰত শৈক্ষিক গৱেষণা।

অসম ৱাক্‌ফ ব'ৰ্ডৰ বিষয়সমূহৰ সমাধান আৰু ৰাজহ সংগ্ৰহ সম্পৰ্কীয় অভিযোগ উত্থাপিত বৃহৎ খেলিমেলিৰ প্ৰতি নজৰ।

অসমৰ চহকী সামাজিক তথা ধৰ্মীয় ইছলামীয় সংস্কৃতিক প্ৰদৰ্শন কৰাৰ অৰ্থে (শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আৰ্হিত) আজান পীৰ কলাক্ষেত্ৰ নিৰ্মাণ।

চৰ চাপৰি এলেকাত ছাত্ৰীৰ শিক্ষা প্ৰসাৰৰ বাবে এক বিশেষ অভিযানৰ ৰূপায়ণ। চৰ চাপৰি এলেকাত বসবাস কৰা লোকসকলৰ সামৰ্থ্য অনুসৰি দক্ষতা ভিত্তিক শিক্ষাৰ উদ্‌গনি।

শৈক্ষিক গৱেষণা আৰম্ভ কৰাৰ জৰিয়তে সংস্কৃতি আৰু উন্নয়নৰ ক্ষেত্ৰত খ্ৰীষ্টান সম্প্ৰদায়ৰ বৰঙণিক স্বীকৃতি প্ৰদান কৰা হ'ব।

বৌদ্ধ সংস্কৃতি আৰু তেওঁলোকৰ জীৱন ধাৰণ প্ৰণালীৰ উন্নয়ন সাধনক অগ্ৰাধিকাৰ দিয়া হ'ব। বৌদ্ধ পৰ্যটন আবৰ্তক অসম পৰ্যটনৰ এক প্ৰয়োজনীয় অংশ হিচাপে গঢ়ি তোলা হ'ব।

**চাহ সম্প্ৰদায়ৰ কল্যাণ ঃ** বাগিচা শ্ৰমিক আইন, ১৯৫১ৰ কাৰ্যকৰী ৰূপায়ণ; বিশেষজ্ঞসকল আৰু ইয়াৰ লগত জড়িত সংশ্লিষ্ট পক্ষসমূহৰ লগত আলোচনা কৰি ইয়াৰ যাৱতীয় সা-সলনিৰ ব্যৱস্থা। কৰ্মচাৰী ভৱিষ্য নিধি আঁচনিৰ অধীনত সামৰি লৈ চাহ ৰোপণ শ্ৰমিকসকলৰ ভৱিষ্যৎ সুৰক্ষিতকৰণ। চাহ সম্প্ৰদায়ৰ সামাজিক উন্নীতকৰণৰ বাবে বিত্তীয় উদ্‌গনি আৰু আন্তঃগাঁথনি সকলো পৰ্যায়তে শৈক্ষিক সা-সুবিধা প্ৰদান। যুৱ চাহ শ্ৰমিকসকল আৰু চাহ সম্প্ৰদায়ৰ পৰিয়ালসমূহৰ যুৱক-যুৱতীসকললৈ ক্ষুদ্ৰ বিত্তীয় সাহায্য প্ৰদান। বৃত্তিমুখী প্ৰশিক্ষণৰ জৰিয়তে উদ্যমিতা আৰু আত্মনিয়োজনক উৎসাহিতকৰণ।

অসম চাহ নিগমৰ অধীনত কাম কৰা শ্ৰমিকসকলকে ধৰি চাহ বাগিচাৰ শ্ৰমিকসকলে যাতে তেওঁলোকৰ ন্যাৰ্য ন্যূনতম মজুৰি লাভ কৰে সেয়া সুনিশ্চিত কৰাৰ বাবে বৰ্তমানৰ ব্যৱস্থাটোত কাৰ্যকৰিতাৰে হস্তক্ষেপকৰণ। চাহ বাগিচাৰ প্ৰতিটো পৰিয়ালতে ব্যক্তিগত বৈদ্যুতিক মিটাৰ সুনিশ্চিতকৰণ।

**মহিলাসকলৰ সবলীকৰণ ঃ**

ৰাজ্যিক মহিলা আয়োগৰ পুনৰুজ্জীৱিতকৰণ আৰু ৰাজ্যখনৰ অন্যান্য অংশত ইয়াৰ কেন্দ্ৰ মুকলিকৰণ। ৰাজ্যিক বাজেটত এক অত্যাৱশ্যকীয় উপাদান হিচাপে লিংগ বাজেটক সংযোজন। কন্যা ভ্ৰূণ হত্যাৰ বিৰুদ্ধে থকা আইনসমূহৰ কঠোৰ ৰূপায়ণ। **'বেটি বচাও, বেটি পঢ়াও'** অভিযান প্ৰসাৰণ। কৃষিজাত, পশুধন আৰু ক্ষুদ্ৰ উদ্যোগ খণ্ডসমূহৰ পৰিচালনাৰ বাবে মহিলা সংগঠনসমূহক উৎসাহিতকৰণ। পি এম এম ৱাইৰ পৰা লাভ অৰ্জনৰ বাবে মহিলা আত্মসহায়ক গোটসমূহক সাহায্য প্ৰদান। অবৈধ সৰবৰাহৰ সজাগতা কাৰ্যসূচী ৰূপায়ণ আৰু সৰবৰাহকাৰীক শাস্তি প্ৰদানৰ বাবে কঠোৰ আইন প্ৰৱৰ্তন। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান আৰু অন্যান্য চৰকাৰী অভিযানসমূহৰ অধীনত আশা, অংগনৱাড়ী কৰ্মী আৰু অন্যান্য তদাৰকী কৰ্মীসকলৰ সেৱাৰ অৱস্থা আৰু মাহিলী দৰমহা উন্নীতকৰণ।

**শিশু উন্নয়ন ঃ**

ৰাজ্যখনত, বিশেষকৈ বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ চাহ বাগিচাসমূহত 'ক্ৰেছ' স্থাপন। শিশু পৰিপুষ্টি আৰু প্ৰতিষেধক প্ৰদানৰ বাবে ৰাজ্যব্যাপী সজাগতা অভিযান। প্ৰাথমিক বিদ্যালয়সমূহৰ পাঠ্যক্ৰমৰ পুনৰীক্ষণ আৰু মূল শিক্ষাৰ এক অংশ হিচাপে খেল-ধেমালি আৰু আনন্দদায়ক কাৰ্যকলাপক সংযোজিত কৰা হ'ব।

**অন্য ধৰণে সক্ষম নাগৰিকৰ কল্যাণ ঃ**

অসমৰ অন্যধৰণে সক্ষম নাগৰিকসকলক শিক্ষাৰ লগতে নিয়োগ অথবা আত্মনিয়োজনৰ সা-সুবিধা প্ৰদান। চৰকাৰী ভৱন, ৰে'ল ষ্টেচন আৰু অন্যান্য ৰাজহুৱা স্থানসমূহ বিশেষভাৱে সক্ষম লোকসকলৰ বাবে

সুগমকৰণ। ৰাজহুৱা প্ৰতিষ্ঠান, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহক পৰ্যায়ক্ৰমে বিশেষভাৱে সক্ষম লোকসকলৰ বাবে সুগম কৰি তোলাটো হ'ব আমাৰ প্ৰয়াস।

**গোৰ্খাসকলৰ কল্যাণ ঃ**

অসমত থকা গোৰ্খাসকলৰ অনুপাত অনুসৰি গোৰ্খা উন্নয়ন পৰিষদলৈ উপযুক্ত পুঁজিৰ আবণ্টন। অসমত ব্যাপকভাৱে দুগ্ধ আন্দোলনৰ সূচনা, যিহেতু গোৰ্খাসকলৰ প্ৰধান জীৱিকা হৈছে গো-পালন। অসমৰ বিধিসন্মত নিকায়সমূহত যাতে গোৰ্খা সম্প্ৰদায়ক পৰ্যাপ্ত প্ৰতিনিধিত্ব প্ৰদান কৰা হয় তাৰ বাবে প্ৰচেষ্টা হাতত লোৱা হ'ব।

**আদিবাসীসকলৰ কল্যাণ ঃ**

চৰকাৰী নিয়ম অনুসৰি আদিবাসী কৰ্মীসকলৰ মজুৰি বৃদ্ধি সু-নিশ্চিতকৰণ। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আৰু চিকিৎসাজনিত উদ্দেশ্যত আদিবাসী অতিথিশালা নিৰ্মাণ। আদিবাসী এলেকাসমূহত থকা প্ৰাথমিক স্কুলসমূহক মাধ্যমিক স্কুল আৰু হাইস্কুল পৰ্যায়লৈ উন্নীতকৰণ।

**জ্যেষ্ঠ নাগৰিক কল্যাণ ঃ**

জ্যেষ্ঠ নাগৰিকসকলৰ অভিজ্ঞতা আৰু তেওঁলোকৰ জ্ঞান-বুদ্ধিক কামত লগোৱাৰ অৰ্থে এখন বিশেষ আঁচনিৰ শুভাৰম্ভ। জ্যেষ্ঠ নাগৰিকসকলৰ স্বাস্থ্য সেৱা, তেওঁলোকৰ আশ্ৰয় তথা সুৰক্ষাৰ বাবে এখন ব্যাপক কল্যাণমূলক আঁচনি ৰূপায়ণ।

**সাংস্কৃতিক পৰিক্ৰমা ঃ**

আমাৰ স্থানীয় ভাষা আৰু সংস্কৃতিৰ বিকাশৰ বাবে মোৰ চৰকাৰে হাতত লোৱা ভৱিষ্যৎ পৰিকল্পনাসমূহে সামৰি ল'বলগীয়া বিষয়সমূহ হ'ল— ৰাজ্যখনৰ থলুৱা সংস্কৃতি আৰু পৰম্পৰাগত কলাৰ

সু-সংবদ্ধকৰণ আৰু সংৰক্ষণ, প্ৰাতিষ্ঠানিক ব্যৱস্থাৰ জৰিয়তে ভ্ৰাম্যমাণ থিয়েটাৰ দলসমূহলৈ সাহায্য প্ৰদান, জ্যোতি চিত্ৰবন প্ৰতিষ্ঠানটোক শক্তিশালীকৰণ, বৰাক উপত্যকা আৰু ৰাজ্যখনৰ অন্যান্য স্থানত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আৰ্হিত কলা আৰু সাংস্কৃতিক চৌহদ নিৰ্মাণ, সমগ্ৰ ভাৰতবৰ্ষৰে কেতবোৰ নিৰ্বাচিত বিশ্ববিদ্যালয়ত অসম অধ্যয়ন কেন্দ্ৰ স্থাপন, ৰাজ্যখনত অসম সাহিত্য সভা আৰু অন্যান্য জনগোষ্ঠীয় সভাসমূহলৈ সাহায্য প্ৰদান, কলা চলচিত্ৰ, থিয়েটাৰ, ক্ৰীড়া, সাংবাদিকতা, সামাজিক কাম ইত্যাদিৰ ক্ষেত্ৰসমূহত লাভ কৰা উল্লেখযোগ্য সফলতাৰ বাবে বাৰ্ষিক 'অসমভূষণ' বঁটা প্ৰৱৰ্তন, কম্পিউটাৰ এপ্লিকেচনত স্থানীয় ভাষাৰ লিপিসমূহৰ ব্যাপক ব্যৱহাৰক উদগনি প্ৰদান, সংগীত আৰু নৃত্যৰ সত্ৰীয়া বিদ্যালয়সমূহৰ সংৰক্ষণ তথা বিকাশ আৰু অসমীয়া সংস্কৃতি তথা স্থানীয় ভাষা আৰু পৰম্পৰাসমূহ বিকাশৰ বাবে ল'বলগীয়া এনেধৰণৰ অন্যান্য প্ৰচেষ্টাসমূহ।

**ৰাজহ প্ৰশাসন আৰু ভূমি সংস্কাৰ ঃ**

ৰাজহ প্ৰশাসন আৰু ভূমি সংস্কাৰৰ বাবে মোৰ চৰকাৰে গ্ৰহণ কৰা ভৱিষ্যৎ পৰিকল্পনাসমূহে আন বিষয়সমূহৰ লগতে সামৰি ল'বলগীয়া বিষয়সমূহ হ'ল— ভূমি সংস্কাৰক সহজসাধ্যকৰণ, আধুনিক প্ৰযুক্তি ব্যৱহাৰৰ দ্বাৰা ভূমি লেখাৰ উন্নীতকৰণ, বেদখল উচ্ছেদ কৰাৰ দ্বাৰা বনাঞ্চল, ধৰ্মীয় অনুষ্ঠান, ট্ৰাইবেল বেল্ট আৰু ব্লক, পতিত ভূমি, চৰণীয়া পথাৰ আদিৰ সুৰক্ষা, ভূমি মানচিত্ৰ প্ৰস্তুত কৰাৰ অৰ্থে দূৰ সংবেদনশীল আৰু উপগ্ৰহৰ জৰিয়তে শেহতীয়া প্ৰযুক্তিৰ ব্যৱহাৰ, ভূমিহীন চাহ সম্প্ৰদায়ৰ লোকসকলৰ স্থায়ী বসবাসৰ বাবে তেওঁলোকলৈ ভূমি প্ৰদান। মোৰ চৰকাৰে চুবুৰীয়া ৰাজ্যকেইখনৰ সৈতে থকা আন্তঃৰাজ্যিক সীমা বিবাদ শান্তিপূৰ্ণভাৱে সমাধান কৰিব।

**প্ৰশাসন ঃ**

মোৰ চৰকাৰে ইয়াৰ প্ৰশাসনিক ব্যৱস্থা সুসংবদ্ধ তথা সবল কৰি তোলাৰ লগতে ইয়াৰ নীতি তথা কাৰ্যসূচীসমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত প্ৰশাসন ব্যৱস্থাক কাৰ্যকৰী আৰু কাৰ্যদক্ষ কৰি তুলিবলৈ আধুনিক প্ৰযুক্তি তথা তথ্য-প্ৰযুক্তিৰ সমলসমূহ কামত লগাব।

মোৰ চৰকাৰ এক নিকা আৰু সংবেদনশীল প্ৰশাসন ব্যৱস্থা নিশ্চত কৰাৰ ক্ষেত্ৰত বদ্ধপৰিকৰ। ৰাজ্যখনৰ এক গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান অসম লোকসেৱা আয়োগৰ প্ৰতি জনসাধাৰণৰ আস্থা ঘূৰাই আনিবলৈ প্ৰতিষ্ঠানটোৰ কাৰ্যকৰণ প্ৰণালীৰ সংস্কাৰ সাধন কৰা হ'ব। ৰাজ্যখনৰ কোনো স্থানতে কৰ্তৃত্ববিহীন আৰু অবৈধ তালাচী চকী থাকিবলৈ দিয়া নহ'ব।

ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ ব্যক্তিত্বৰ পৰীক্ষা (Personality test)-ৰ প্ৰয়োজন নথকা পদত নিযুক্তিৰ ক্ষেত্ৰত সাক্ষাৎকাৰৰ প্ৰয়োজন বাতিল কৰিবলৈ মোৰ চৰকাৰে সিদ্ধান্ত লৈছে।

**জনপ্ৰিয় গণতন্ত্ৰৰ উদ্দীপনাৰে** সৰ্বস্তৰৰ ৰাইজক সামৰি আৰু বিশেষকৈ গণ মাধ্যমৰ লগত জড়িত লোকসকলক লৈ সংশ্লিষ্ট সকলোৰে সৈতে ইতিবাচক আৰু গঠনমূলক সম্পৰ্ক বৰ্তাই ৰখাৰ বাবে তথ্য আৰু জনসংযোগ ব্যৱস্থাটোক সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰা হ'ব। মোৰ চৰকাৰে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ অধিকাৰ তথা সা-সুবিধাসমূহ সুনিশ্চিত কৰিব আৰু ৰাজ্যখনৰ দ্ৰুত উন্নয়ন তথা জ্বলন্ত সমস্যাসমূহৰ সমাধানৰ বাবে তেওঁলোকৰ সৈতে সমিলমিলেৰে কাম কৰি যাব।

**বিত্ত ঃ**

যদিও সম্পদ সৃষ্টিৰ ক্ষেত্ৰত থকা প্ৰতিশ্ৰুতিবদ্ধতা পালন নকৰাকৈয়ে বছৰৰ পিছত বছৰ ধৰি বাজেটৰ আকাৰ কেইবাগুণে বৃদ্ধি

কৰি অহা হৈছে, তথাপিও ৰাজ্যৰ বিত্তীয় পৰিস্থিতি এতিয়াও সংকটজনক। দৰমহা, পেঞ্চন আৰু অন্যান্য পৰিকল্পনা বহিৰ্ভূত ব্যয়ৰ ক্ৰমবৰ্ধমান বোজাৰ তুলনাত ৰাজ্য চৰকাৰৰ ৰাজহ প্ৰাপ্তি বৃদ্ধি পোৱা নাই। ইয়াৰ ফলত ৰাজ্যৰ ৰাজকোষে যথেষ্ট চাপৰ সন্মুখীন হৈছে আৰু কাৰ্যতঃ ৰাজ্যিক পৰিকল্পনাৰ বাবে ধনৰ অভাৱ ঘটিছে। এইটো লক্ষ্য কৰা হৈছে যে ৰাজ্যখনে গভীৰ বিত্তীয় সংকটৰ সন্মুখীন হৈ আছে। ৰাজ্যখনে বাজেট সম্পৰ্কীয় দাবীসমূহ পূৰণ কৰিব পৰা অৱস্থাত নাই আৰু ই দৰমহা, পেঞ্চন ইতাদিৰ লেখীয়া মৌলিক প্ৰয়োজনীতাখিনিহে কোনোমতে পূৰণ কৰি আছে। ইয়াৰ উপৰি বৰ্তমান যথেষ্ট ঋণৰ বোজা আছে। সেয়েহে মোৰ চৰকাৰে ৰাজ্যৰ বিত্তীয় পৰিস্থিতি সু-শৃংখল কৰি তুলিবলৈ কেতবোৰ কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিবলৈ আৰু ইয়াৰ দ্বাৰা ৰাজ্যখনৰ উন্নয়নমূলক আঁচনিসমূহ সুচাৰুৰূপে ৰূপায়ণত আস্থাৰ ভাব জগাই তুলিবলৈ প্ৰস্তুতি চলাইছে।

২০১৪-১৫ বিত্তীয় বৰ্ষৰ পৰা পুঁজি হস্তান্তৰৰ ক্ষেত্ৰত অতিৰিক্ত দহ শতাংশ কেন্দ্ৰীয় কৰৰ অংশকে ধৰি এই কৰৰ অংশ বিগত পাঁচ বছৰত প্ৰায় দুগুণ হৈছেগৈ। কিন্তু ৰাজ্যৰ নিজা সম্পদ সৃষ্টিয়েই হৈছে উদ্বিগ্নতাৰ মূল কাৰণ। যদিও মূল্য সংযোজিত কৰ (VAT) সংগ্ৰহৰ পৰিমান উপযুক্তভাৱে বৃদ্ধি পাইছে, তথাপি বিগত পাঁচ বছৰত আবকাৰী, পৰিবহণ, বন আৰু খনি আৰু খনিজ সম্পদৰ পৰা অৰ্জন কৰা ৰাজহৰ ধাৰা বাধাগ্ৰস্থ হৈছে। মোৰ চৰকাৰৰ লক্ষ্য হৈছে সম্ভৱপৰ ক্ষেত্ৰসমূহত ৰাজ্যিক বিত্তৰ উৎসসমূহ বৃদ্ধি কৰাৰ লগতে আভ্যন্তৰীণ ৰাজহ সৃষ্টিৰ ক্ষেত্ৰসমূহ বিচাৰি উলিওৱা। আবকাৰী নীতিৰ পুনৰীক্ষণ, ত্ৰুটিবোৰৰ সংশোধন আৰু বিভিন্ন সুৰুঙা বন্ধ কৰাৰ দৰে ক্ষেত্ৰসমূহ চিনাক্ত কৰা হৈছে; ৰাজহ উপাৰ্জন বৃদ্ধি কৰাৰ অৰ্থে অভিযান ৰূপত আমি এই ক্ষেত্ৰত কাম কৰি যাম।

মোৰ চৰকাৰে অত্যাধুনিক প্ৰযুক্তিসহ সম্পূৰ্ণ তথ্য-প্ৰযুক্তিৰ প্ৰয়োগৰ দ্বাৰা ৰাজহ উপাৰ্জনকাৰী বিভাগসমূহত প্ৰায় মানুহৰ অংশগ্ৰহণ অবিহনে (Near-Zero human interface) কাম-কাজ কৰাটো সুনিশ্চিত কৰিবলৈ বদ্ধপৰিকৰ। ই ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত থকা বিভাগীয় গোপনীয়তা ফাদিল হোৱাত বাধা দিব।

মাননীয় প্ৰধানমন্ত্ৰীৰ আওপুৰণি বা অপ্ৰচলিত আইনসমূহ বৰ্জন কৰাৰ নীতিৰ আৰ্হিত মোৰ চৰকাৰে তথ্য-প্ৰযুক্তিৰে সামৰ্থ্যৱান বেংকিং আৰু একাউন্টিং ব্যৱস্থা তথা আধুনিক কোষাগাৰ কাৰ্য সম্পাদনৰ যুগত নতুন কোষাগাৰ বিধিৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছে। বৰ্তমানে চলি থকা বিধিসমূহ প্ৰাক্-স্বাধীনতাৰ যুগৰেই আৰু ১৯৩৭ চনত এইবোৰ বিধি জাৰি কৰা হৈছিল। মোৰ চৰকাৰে অতি শীঘ্ৰে নতুন কোষাগাৰ বিধি প্ৰস্তুত কৰিব যিয়ে ৰাজ্য চৰকাৰক বিত্তীয় আৰু একাউণ্টিঙৰ কাৰ্য ব্যৱস্থা সু-সংবদ্ধ কৰাত চৰকাৰৰ কাম-কাজৰ লগতে মহাগাণনিক আৰু বেংকৰ সৈতে সমন্বয় অনাত সহায় কৰিব।

মোৰ চৰকাৰে বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্পৰ জৰিয়তে অতিৰিক্ত সম্পদ বৃদ্ধিৰ বাবে কেৱল বিশ্ববেংক, এছিয়ান ডেভলপমেন্ট বেংক আৰু জাপান ইন্টাৰনেচনেল কো-অপাৰেছন এজেন্সি (JICA)ৰ পৰাই নহয় বৰং ব্ৰিক্‌ছ বেংক আৰু এছিয়ান ইনফ্ৰাষ্ট্ৰাকচাৰ ইনভেষ্টমেন্ট বেংক (AIIB)ৰ দৰে নতুন উৎসৰ পৰাও সহায় লোৱাৰ প্ৰতি আগ্ৰহী।

ৰাজ্যখনৰ বিকাশ আৰু উন্নয়নৰ ধাৰা ত্বৰান্বিত কৰাৰ লগতে এই পুঁজিৰ যোগান ধৰা সংস্থাসমূহৰ উদ্দেশ্য সাধনত সহায়ক হোৱা সবল প্ৰকল্প প্ৰস্তাৱ প্ৰস্তুত কৰাৰ অৰ্থে সংশ্লিষ্ট বিভাগসমূহৰ দ্বাৰা প্ৰকল্প প্ৰস্তাৱসমূহ প্ৰস্তুত কৰাত সহায়ক হোৱাকৈ ৰাজ্যৰ বিত্ত বিভাগৰ সহায়েৰে

বৃত্তিগত প্ৰতিষ্ঠান আৰু ভাৰত চৰকাৰৰ বিত্ত মন্ত্ৰালয়ৰ পৰা মোৰ চৰকাৰে অত্যন্ত সক্ৰিয়ভাৱে সহায় গ্ৰহণ কৰিব।

মোৰ চৰকাৰে ৰাজ্যখনত ব্যাপকভাৱে ৰাজহুৱা বিত্ত ব্যৱস্থাপনা শক্তিশালী কৰাতো আগ্ৰহী আৰু বিশ্ববেংকৰ কাৰিকৰী সাহায্যৰে **'এছপায়াৰ'** (ASPIRE - অসম ৰাজ্যিক ৰাজহুৱা বিত্ত প্ৰাতিষ্ঠানিক সংস্কাৰ) নামৰ এক প্ৰকল্প ৰূপায়ণ কৰা হ'ব।

ৰাজ্যখনলৈ উচ্চ হাৰত আবন্টন আৰু সময়মতে পুঁজিৰ যোগানৰ বাবে মোৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট মন্ত্ৰালয়সমূহৰ সৈতে কাৰ্যকৰীভাৱে সমন্বয় ৰক্ষা কৰি চলিব। একে সময়তে, দেশৰ প্ৰথম ৫ খন ৰাজ্যৰ এখন হিচাপে প্ৰাক্ - স্বাধীনতা কালত থকা ৰাজ্যখনৰ গৌৰৱ ঘূৰাই অনাৰ স্বাৰ্থত আভ্যন্তৰীণ ৰাজহ সংগ্ৰহৰ পৰিমাণ বৃদ্ধি কৰাৰ বাবেও কেন্দ্ৰীভূত, সমন্বিত আৰু বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰা হ'ব। **'ৰিষ্টাৰ্ট অসম'** (ReSTART Assam - ৰূপান্তৰিত অসমৰ বাবে সম্পদ বৃদ্ধিৰ উদ্দেশ্যে ব্যৱস্থা আৰু প্ৰযুক্তিৰ পুনৰ গঠন) নামৰ এক উদ্ভাৱণীমূলক কাৰ্যসূচীৰ জৰিয়তে এই লক্ষ্য স্থিৰ কৰা হৈছে।

সন্মানীয় সদস্যসকল, মই মোৰ চৰকাৰৰ ভৱিষ্যত পৰিকল্পনাসমূহ আপোনালোকৰ সন্মুখত উত্থাপন কৰিলোঁ। এই নীতি আৰু কাৰ্যসূচীসমূহৰ সফল ৰূপায়ণৰ বাবে আপোনালোকৰ সামূহিক প্ৰজ্ঞা, অভিজ্ঞতা আৰু জ্ঞান কামত লগোৱাৰ প্ৰয়োজন হ'ব। আজিৰ এই পৱিত্ৰ দিনত ৰাষ্ট্ৰৰ হকে নিজৰ অমূল্য জীৱন উচৰ্গা কৰা আমাৰ শ্বহীদসকলক মই শ্ৰদ্ধাৰে সুঁৱৰিছো আৰু গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। মই আশা ৰাখিছো যে **'একতাই পৰম বল'** - শীৰ্ষক এই

প্ৰবচনফাকি মনত ৰাখি এই সদন একত্ৰিতভাৱে থিয় দিব। সেয়েহে এই সদনৰ আলাপ-আলোচনাসমূহ ইতিবাচকভাৱে আগুৱাই নিয়াত একত্ৰিতভাৱে আগবাঢ়ি আহিবলৈ আৰু **'সকলোৰে সৈতে সকলোৰে বিকাশ'** (চব কা ছাথ, চব কা বিকাশ) ঘোষণাক অসমতো কাৰ্যকৰী কৰিবলৈ আপোনালোক সকলোকে মই আন্তৰিকতাৰে আহ্বান জনালোঁ।

*জয় আই অসম*

*ভাৰত মাতা কি জয়*

*জয় হিন্দ*